# শিক্ষকৰ হাতপুথি আৰু প্ৰশিক্ষণ মডিয়ুল

## বিষয় ঃ অসমীয়া
## ভাষা - ১

*(বুনিয়াদী আৰু প্ৰস্তুতি পৰ্যায়ৰ শিকন ফলাফলৰ আধাৰত)*

প্ৰস্তুতকৰ্তা

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
সমগ্ৰ শিক্ষা, অসমৰ সহযোগত
কাহিলিপাৰা, গুৱাহাটী-১৯

# শিক্ষকলৈ একাষাৰ

গুণোৎসৱ ২০২৪ ৰ ফলাফলৰ আধাৰত বুনিয়াদী আৰু প্ৰস্তুতি পৰ্যায়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে প্ৰশিক্ষণ মডিয়ুল তথা এই হাতপুথিখন প্ৰস্তুত কৰা হৈছে। ভাষা-১, অসমীয়া বিষয়ৰ দুৰ্বল শিকনীয় ফলাফলৰ ভিত্তিত এই হাতপুথিখন প্ৰস্তুত কৰা হৈছে। এই হাতপুথিখনত পাঠোদ্ধাৰ, ধ্বনিগত সজাগতা, পঠন সাৱলীলতা, পঠন বোধগম্যতা, লিখন, শব্দসম্ভাৰ আৰু ব্যাকৰণৰ বিভিন্ন শিক্ষণীয় ফলাফলৰ আধাৰত বিভিন্ন ক্ৰিয়াকলাপৰ নমুনা, পাঠ পৰিকল্পনাৰ আৰ্হি, মূল্যায়নৰ সবিশেষৰ লগতে পাঠ পৰিকল্পনাৰ সময়ত মন কৰিবলগীয়া দিশসমূহৰ বিষয়ে উল্লেখ কৰা হৈছে।

ভাষা বিষয়ক প্ৰশিক্ষণ মডিয়ুল তথা হাতপুথিখন গুণোৎসৱৰ প্ৰশ্নকাকতৰ ৰূপৰেখাত উল্লেখ থকাৰ দৰে ৫ টা ক্ষেত্ৰত ভাগ কৰা হৈছে— ধ্বনিগত সজাগতা, পঠন সাৱলীলতা, পাঠোদ্ধাৰ, পঠন, বোধগম্যতা, লিখন, শব্দসম্ভাৰ আৰু ব্যাকৰণ। এই পাঁচটা বিষয়বস্তুৰ পৰিচয়মূলক টোকাৰ পৰা আৰম্ভ কৰি ক্ৰিয়াকলাপৰ নমুনা, পাঠ পৰিকল্পনা আৰু মূল্যায়ন কৰালৈকে সকলো দিশ সামৰি লোৱা হৈছে। পাঠ পৰিকল্পনাৰ ক্ষেত্ৰত পাঠ্যপুথিৰ সহায় লোৱা হৈছে। পাঠ্যপুথিৰ একোটা পাঠৰ ক্ৰিয়া-কলাপৰ সহায়ত বিষয়বস্তুসমূহ শ্ৰেণীকোঠাত কেনেদৰে উপস্থাপন কৰিব লাগিব তাৰ আভাস দিয়া হৈছে। ধ্বনি সজাগতাৰ ক্ষেত্ৰত ধ্বনি চিনাক্তকৰণ, ধ্বনিৰ প্ৰয়োগ, ছবি চাই ধ্বনি চিনাক্তকৰণ, শুদ্ধ উচ্চাৰণ; পাঠোদ্ধাৰৰ ক্ষেত্ৰত এটা/দুটা আখৰৰ পৰা শব্দ/বাক্য গঠন; পঠন সাৱলীলতাৰ ক্ষেত্ৰত শুদ্ধ আৰু স্পষ্ট পঠন; পঠন বোধগম্যতাৰ ক্ষেত্ৰত পাঠ পঢ়ি বুজি উত্তৰ ক'ব পৰা; লিখনৰ ক্ষেত্ৰত বাক্য/দফা লিখিব পৰা; শব্দসম্ভাৰৰ ক্ষেত্ৰত বিপৰীত/সমাৰ্থক শব্দ চিনাক্তকৰণ আৰু প্ৰয়োগ কৰিব পৰা, ব্যাকৰণৰ ক্ষেত্ৰত পদ, বিভক্তি, বচন, লিংগ আদি চিনাক্তকৰণ আৰু প্ৰয়োগ আদি দিশ সামৰি মডিয়ুল তথা হাতপুথিখন প্ৰস্তুত কৰা হৈছে।

শিক্ষকসকলে এই হাতপুথিখনৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীক দুৰ্বল দিশসমূহত পাৰ্গত কৰি তুলিব পাৰিব। ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বিভিন্ন ক্ৰিয়াকলাপ কৰাই মূল্যায়ন কৰিব পাৰিব। শ্ৰেণীকোঠাত শিকন কাৰ্য ফলপ্ৰসূ কৰিবৰ বাবে পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব পাৰিব। পাঠ পৰিকল্পনাৰ ক্ষেত্ৰত কি কি দিশত গুৰুত্ব প্ৰদান কৰিব লাগিব সেই বিষয়েও ইয়াত উল্লেখ আছে। লগতে প্ৰশ্নোত্তৰ, মূল্যায়ন ব্যৱস্থা আৰু সংশ্লিষ্ট বিষয়বস্তুৰ সংক্ষিপ্ত ধাৰণাও হাতপুথিখনত সন্নিৱিষ্ট কৰা হৈছে।

হাতপুথিখনত ছাত্ৰ-ছাত্ৰীক পোনপটীয়াভাৱে জড়িত কৰাৰ যথেষ্ট অৱকাশ আছে। তেওঁলোকৰ পিছপৰি থকা বিষয়সমূহক আকৰ্ষণীয়ভাৱে প্ৰস্তুত কৰি উপস্থাপন কৰা হৈছে যাতে তেওঁলোকক শিক্ষকে পোনপটীয়াকৈ কাৰ্যকলাপত অন্তৰ্ভুক্ত কৰাব পাৰে। ক্ৰিয়াকলাপসমূহ দলীয়ভাৱে কৰোৱা হৈছে। দলীয় কাৰ্যৰদ্বাৰা শিক্ষণ কাৰ্যসম্পন্ন হোৱাৰ অৱকাশ মডিয়ুল তথা হাতপুথিখনত আছে। শিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰিবৰ বাবে সমল ব্যক্তিৰ সহায়ক হোৱাকৈ নিৰ্দেশনাও ইয়াৰ লগতে সংযোগ কৰি দিয়া হৈছে। প্ৰত্যেকটো ক্ষেত্ৰৰ বাবে চাৰিটাকৈ অধিৱেশন ধাৰ্য কৰা হৈছে আৰু অধিৱেশনকেইটা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ নিৰ্দেশনাও দিয়া হৈছে। সমল ব্যক্তিয়ে মডিয়ুলত উল্লেক থকাৰ দৰে ক্ৰিয়াকলাপৰ আৰ্হিৰ সহায়ত প্ৰশিক্ষাৰ্থীসকলক দলত ভাগ কৰি ক্ৰিয়া-কলাপ কৰাব আৰু মূল্যায়নলৈকে আগবঢ়াই নিব।

# ক্ষেত্ৰ ঃ

# ধ্বনিগত সজাগতা, পাঠোদ্ধাৰ আৰু সাৱলীল পঠন

## ধ্বনিগত সজাগতা

*পঢ়া-লিখা শিকিবলৈ যোৱাৰ পূৰ্বে মৌখিক ভাষাৰ ধ্বনিগত গঠনবোৰ বুজি পোৱাৰ দক্ষতাৰ বা ধ্বনিগত গঠনৰ বিষয়ে সচেতনতাই হৈছে ভাষাৰ ধ্বনিগত সজাগতা।*


মৌখিক ভাষাত উচ্চাৰিত ধ্বনিৰ এককসমূহৰ প্ৰতি সচেতনতা আৰু তাৰ প্ৰয়োগৰ বিকাশ সাধন অৰ্থাৎ কথিত শব্দবোৰ শুনা/চিনাক্ত কৰা আৰু তাক সৰু সৰু অংশত বিভাজন কৰা আৰু বিভাজিত অংশসমূহৰ অদল-বদল কৰিব পৰা ক্ষমতাক ধ্বনিগত সজাগতা বোলে।

আমি কেৱল বাগযন্ত্ৰীৰ দ্বাৰা উচ্চাৰিত ধ্বনিহে লিখিব পাৰোঁ, কাৰণ আমাৰ আখৰ বা বৰ্ণবোৰ বাগযন্ত্ৰীৰ দ্বাৰা উচ্চাৰিত ধ্বনিৰহে প্ৰতীক।

আমি যেতিয়ালৈকে ভাষা এটা ক'ব নোৱাৰোঁ, তেতিয়ালৈকে ভাষাটো লিখিবও নোৱাৰোঁ। অৰ্থাৎ ভাষা এটা শুদ্ধকৈ লিখাৰ বাবে পোনপ্ৰথমেই প্ৰয়োজন ভাষাটোৰ মৌখিক দিশৰ বিকাশ।

আমাৰ কথাবোৰ একো একোটা শব্দ, শব্দাংশ, অক্ষৰ আৰু ধ্বনিমূলৰ পদ্ধতিগত বিন্যাসৰ দ্বাৰা সৃষ্ট। যেতিয়ালৈকে আমি প্ৰতিটো শব্দক কথাৰ ভিতৰৰ গঠনগত একক হিচাপে চিনাক্ত কৰিব নোৱাৰোঁ, তেতিয়ালৈকে আমি শব্দবোৰ শুদ্ধকৈ লিখিব নোৱাৰোঁ আৰু যেতিয়ালৈকে শব্দৰ ভিতৰত থকা অক্ষৰবোৰ বা ধ্বনিমূলবোৰ চিনাক্ত কৰিব নোৱাৰোঁ, তেতিয়ালৈকে আমি আখৰবোৰ বা বৰ্ণবোৰ লিখিব নোৱাৰোঁ। সেয়ে নিম্ন প্ৰাথমিক স্তৰত ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-লিখা শিকিবলৈ যোৱাৰ আগত ধ্বনিগত একক যেনে— মৌখিক ভাষাৰ ধ্বনিগত একক যেনে শব্দ, শব্দাংশ, ধ্বনিমূলক আদিৰ বিষয়ে সচেতনতা লাভ কৰাটো একান্ত জৰুৰী।

ধ্বনিগত সজাগতাৰ বিকাশ হ'লেহে ভাষাৰ ন-শিকাৰুজনে ধ্বনিমূলৰ বিপৰীতে বৰ্ণৰ ব্যৱহাৰ, অক্ষৰ বা শব্দাংশৰ বিপৰীতে আখৰ আৰু কথিত শব্দৰ ব্যৱহাৰ কৰি কথাৰ লিখিত ৰূপ হিচাপে বাক্য এটা লিখিবলৈ সক্ষম হ'ব।



### ধ্বনিগত সচেতনতাৰ বিকাশৰ বাবে প্ৰয়োজনীয় কৌশল —

মৌখিক ভাষাত উচ্চাৰিত শব্দসমূহৰ পৰা বিভাজিত সৰু সৰু অংশসমূহ —

- ★ বিভাজন/গণনা/চিনাক্তকৰণ
- ★ সংযোজন
- ★ প্ৰতিস্থাপন
- ★ মিশ্ৰণ
- ★ বিয়োজন
- ★ আদ্যমিল আৰু অন্ত্যমিল

### ধ্বনিগত সজাগতাৰ প্ৰয়োজনীয়তা

বুনিয়াদী সাক্ষৰতা বিকাশৰ বাবে ধ্বনিগত সচেতনতা অতি গুৰুত্বপূৰ্ণ, কাৰণ ই শিশুসকলক ভাষাৰ ধ্বনিগত গঠন বুজি পোৱাত সহায় কৰে; যাৰ ফলত তেওঁলোকে কথিত শব্দৰ ধ্বনিসমূহ চিনাক্ত আৰু অদল-বদল কৰিবলৈ সক্ষম হয়, যিটো পঢ়া আৰু বানানৰ বাবে একান্ত মৌলিক বিষয়। ই শিশুসকলৰ সামাজিক পঠন দক্ষতা তথা সাক্ষৰতাৰ ভেঁটি স্থাপন কৰে।

### ক) শব্দসজাগতাৰ বিকাশৰ ক্ৰিয়াকলাপ


শিক্ষকে শিক্ষাৰ্থীসকলৰ মাজৰ পৰা যিকোনো এজনক সন্মুখলৈ মাতি আনি তলত উল্লেখ কৰা যিকোনো এটা খেল খেলাব পাৰে। সমল ব্যক্তিয়ে শ্ৰেণীকোঠাৰ মজিয়াত ৩-৪ টা বৃত্ত আঁকি দিব। শিক্ষকে মুখেৰে বাক্য এটা ক'ব; যেনে— 'মই ভাত খাওঁ।' আৰু শিক্ষাৰ্থীজনকো ক'বলৈ দিব।

— শিক্ষাৰ্থীজনে বাক্যটোত থকা একো একোটা শব্দৰ উচ্চাৰণৰ লগত এটা বৃত্তৰ পৰা আনটো বৃত্তলৈ জঁপিয়াই যাব।

এই খেলটো ২-৩ জন শিক্ষাৰ্থীৰ লগত পুনৰাবৃত্তি কৰিব পাৰে (বেলেগ বেলেগ বাক্যৰ সহায়ত।)

২। শিক্ষকে মনত ভবা বাক্য এটাৰ শব্দ সংখ্যা অনুসৰি ৩-৪ জন বা ততোধিক শিক্ষাৰ্থীক সন্মুখলৈ মাতি আনি বাক্যটো উচ্চাৰণ কৰিব। শাৰীত থিয় হোৱা সেই ৩-৪ জন বা ততোধিক শিক্ষাৰ্থীয়ে বাক্যটোত থকা শব্দৰ ক্ৰমৰ সৈতে নিজৰ ক্ৰম মিলাই প্ৰতিজনে এটা এটাকৈ শব্দ উচ্চাৰণ কৰিব। যেনে— তাৰ পাছত শাৰীত থকা অৱস্থাত প্ৰতিজনে (ক্ৰমত) শ্ৰেণীকোঠাৰ বাকী শিক্ষাৰ্থীসকলক সুধিব— 'মই কোন?'

শিক্ষাৰ্থীসকলে সমস্বৰে উত্তৰ দিব।



★ প্ৰয়োজন আৰু সময় সাপেক্ষে বেলেগ বেলেগ দলৰ বেলেগ বেলেগ বাক্যৰ সহায়ত একে লগত পুনৰাবৃত্তি কৰিব পাৰে।

### খ) অক্ষৰ সজাগতাৰ বিকাশৰ ক্ৰিয়াকলাপ

১। শিক্ষকে কেইখনমান ছবি-কাৰ্ড দেখুৱাই ছবিত থকা বস্তুবোৰৰ নাম সুধিব। এইবাৰ শিক্ষকে ছবিৰ নামবোৰ উচ্চাৰণ কৰি হাত চাপৰিৰ সহায়ত নামবোৰত থকা অক্ষৰবোৰ পৃথক কৰি দেখুৱাব; যেনে— হাতী— হা (হাত চাপৰি) তী (হাত চাপৰি)
কলম — ক (হাত চাপৰি) লম (হাত চাপৰি)

এনেদৰে শিক্ষকে ক্ৰমে বিভিন্ন মূৰ্ত-বিমূৰ্ত শব্দবোৰ উচ্চাৰণ কৰি শিক্ষাৰ্থীসকলৰ সমান অংশগ্ৰহণৰ জৰিয়তে হাত চাপৰি বজাই বজাই অক্ষৰবোৰ পৃথক পৃথক কৰিব। তাৰ পাছত শিক্ষকে কেৱল শব্দবোৰ উচ্চাৰণ কৰিব আৰু শিক্ষাৰ্থীসকলে হাত চাপৰি বজাই বজাই অক্ষৰবোৰ পৃথক কৰিব।


### গ) অন্ত্য ধ্বনিৰ মিল/অন্ত্যমিল আৰু আদ্যধ্বনিৰ মিল/আদ্যমিল

শিক্ষকে এখন ছবিৰ তালিকা দেখুৱাব (য'ত নামবোৰৰ মাজত অন্ত্যমিল বিচাৰি পোৱা যায়) আৰু শিক্ষাৰ্থীসকলে তাৰ পৰা নামৰ উচ্চাৰণত অন্ত্যমিল থকা ছবিবোৰৰ নাম মিলাই ক'ব।

কোনো এটা নিৰ্দিষ্ট ধ্বনিৰ চিনাক্তকৰণ স্পষ্ট কৰাবৰ বাবে অন্ত্যধ্বনিৰ মিল থকা শব্দৰ তালিকা কৰি অন্ত্যধ্বনি চিনাক্ত কৰিবলৈ দিব পাৰি। ঠিক সেইদৰে আদ্যমিল থকা শব্দৰ তালিকাৰে নিৰ্দিষ্ট ধ্বনি চিনাক্তকৰণ স্পষ্ট কৰিব পাৰি।
উদাহৰণ— 'ব' ধ্বনি চিনাক্তকৰণৰ ক্ৰিয়াকলাপ
শিক্ষকে তলত দিয়া ছবিবোৰ ছাত্ৰ-ছাত্ৰীসকলক চাবলৈ দিব আৰু নামবোৰ কৈ প্ৰথম ধ্বনিটো কি ক'বলৈ দিব।

ব







শিক্ষকে তলত দিয়া শব্দবোৰ পঢ়ি শুনাব আৰু ছাত্ৰ-ছাত্ৰীসকলকো তেওঁ কোৱাৰ লগে লগে ক'বলৈ দিব। কাৰ্যটো দুবাৰমান কৰাৰ পাছত প্ৰথম ধ্বনিক শুনিছে ক'বলৈ ক'ব।

| | | | |
|---|---|---|---|
| বগা | বৰল | বন | বগৰী |
| বৰফ | বজাৰ | বছৰ | |

শিক্ষকে তলত দিয়া শব্দবোৰ পঢ়ি শুনাব আৰু ‘ব’ ধ্বনিৰে আৰম্ভ হোৱা শব্দ শুনিলে হাত দাঙিবলৈ দিব আৰু কোনে কিমানবাৰ সঠিকভাৱে হাত দাঙিছে মন কৰিব।

| | | | |
|---|---|---|---|
| **বননি** | **বগৰী** | **বকুল** | **কমলা** |
| **অমৰা** | **বগা** | **বটল** | **মাকো** |

## ঘ) ধ্বনিমূলগত সজাগতা

উচ্চাৰিত শব্দ শুনি ধ্বনিমূলবোৰ পৃথক আৰু প্ৰয়োগ কৰিব পৰা দক্ষতাৰ বিকাশেই হৈছে ধ্বনিমূলগত সজাগতা। শ্ৰেণীকোঠাত ধ্বনিমূলগত সচেতনতাৰ প্ৰয়োজন এই কাৰণেই হৈছে, যিহেতু ধ্বনিমূলগত হৈছে ধ্বনিৰ আটাইতকৈ সৰু একক; সেয়ে স্বৰচিহ্ন যুক্ত শব্দসমূহৰ ধ্বনিমূলগত সজাগতাৰ কাৰ্যকলাপসমূহ FLN স্তৰৰ উৰ্দ্ধশ্ৰেণীৰ বাবে অধিক গ্ৰহণযোগ্য।

**ধ্বনি সজাগতাৰ ক্ৰিয়াকলাপ ঃ** শিক্ষকে পৰিকল্পনাৰ বাবে ‘অংকুৰণ’ (তৃতীয় ভাগৰ) ‘একতাৰ বল’ৰ পাঠটি (পাঠ-২) ধ্বনিসজাগতাৰ বাবে বাছি ল’ব।

**শিকন ফলাফল ঃ**

১) প্ৰথম ভাষা (L1 অসমীয়া) ৰ ধ্বনি সম্পৰ্কে শিকিব পাৰিব। লগতে শব্দ ভাঙি ধ্বনিবোৰ ক’ব পাৰিব।

২) বৰ্ণমালাৰ আখৰসমূহৰ সংশ্লিষ্ট ধ্বনি অনুধাৱন কৰিব পাৰিব।

- শিক্ষকে তলত দিয়া পদ্যফাকি স্পষ্টকৈ, সুৰ লগাই গাই শুনাব।
- গাওঁতে তেওঁ শৰীৰৰ অংগভংগীৰে পদ্যফাকিৰ ভাৱ স্পষ্ট কৰাব।
- দ্বিতীয়বাৰ পুনৰ গাওঁতে ছাত্ৰ-ছাত্ৰীসকলক তেওঁৰ লগত গাবলৈ দিব।

**ক**ণমান যাব **কক**াৰ লগত
**কি**নিবলৈ' **কি**বা **কি**বি;
**কি**বা**কি**বিবোৰ **কি**নো হ'ব পাৰে
চাবাচোন বাৰু ভাবি।


- তৃতীয়বাৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে একেলগে পদ্যটো গাওঁতে বাৰে বাৰে উচ্চাৰিত হোৱা আৰম্ভণিৰ 'ক' ধ্বনিটোৰ ওপৰত গুৰুত্ব দিব।

শিক্ষকে পদ্যটো বাৰে বাৰে গাব আৰু ছাত্ৰ-ছাত্ৰীক লগে ভাগে গাবলৈ ক'ব।
শিক্ষকে তলত দিয়া প্ৰশ্নকেইটা সুধিব— ১) কবিতাটো শুনি ভাল লাগিছেনে?
২) ইয়াতে কি ধ্বনি বেছিকৈ শুনিছা বাৰু?
৩) এই ধ্বনিটোৰে আৰম্ভ হোৱা কিবা শব্দ ক'ব পাৰিবানে?

- এই কাৰ্যৰ অন্তত শিক্ষকে ছবি চাই প্ৰথম ধ্বনিটো ক'বলৈ দিব। যেনে—

ক







- তলৰ শব্দবোৰ শুনো আৰু প্ৰথম ধ্বনি কওঁ আহা—

কচু কণী কলহ কৰত

- শিক্ষকে ছাত্ৰ-ছাত্ৰীক সৰু সৰু দলত ভাগ কৰি ক্ৰিয়াকলাপ কৰাব।
- ছবি চাই, শুনি, প্ৰথম ধ্বনি কোৱাৰ অভ্যাস কৰাব।
- ধ্বনিগত সজাগতাৰ নিয়মসমূহ চিনাক্ত কৰি সঠিকভাৱে প্ৰয়োগ হোৱাত শিক্ষকে সহায় কৰিব।

- শিক্ষকে তলত দিয়া শব্দবোৰ পঢ়িব আৰু 'ক' ধ্বনিৰে আৰম্ভ হোৱা শব্দ শুনিলে হাত দাঙিবলৈ দিব আৰু কোনে কিমানবাৰ সঠিকভাৱে হাত দাঙিছে মন কৰিব।

কমলা কচু মকৰা মাখি
কলহ কৰবী দুৰৱী

### ঙ) শব্দ সজাগতা

মৌখিক ভাষাৰ প্ৰতিটো বাক্যই যে একো একোটা উচ্চাৰিত বাক্যাংশ বা শব্দৰে গঠিত, সেই কথাটোৰ প্ৰতি সচেতনতা আৰু প্ৰয়োগৰ দক্ষতাৰ বিকাশ অৰ্থাৎ বাক্যৰ ভিতৰৰ প্ৰতিটো শব্দৰ প্ৰতি সচেতনতা আৰু তাৰ প্ৰয়োগৰ বিকাশক শব্দ সচেতনতা বোলে।

### অক্ষৰ সজাগতা/শব্দাংশ সজাগতা

মৌখিক ভাষাত উচ্চাৰিত শব্দসমূহৰ ভিতৰত থকা শব্দাংশ বা অক্ষৰসমূহৰ ধ্বনি শুনি আৰু পৃথক পৃথক কৰিব পৰা আৰু বিভিন্ন ধৰণেৰে তাৰ প্ৰয়োগৰ দক্ষতা বিকাশক অক্ষৰ সজাগতা/শব্দাংশ সজাগতা (Syllable awareness) বোলে।

এনেদৰে শিক্ষকে বেলেগ বেলেগ শব্দও হাত চাপৰি বজাই বজাই অক্ষৰবোৰ পৃথক পৃথক কৰি দেখুৱাব।

ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলেও শিক্ষকৰ বিভিন্ন শব্দ হাত চাপৰি বজাই ক'ব।

পৰৱৰ্তী পৰ্যায়ত শিক্ষকে কেৱল শব্দবোৰ উচ্চাৰণ কৰিব আৰু ছাত্ৰ-ছাত্ৰীয়ে হাত চাপৰিৰ জৰিয়তে শব্দাংশ/অক্ষৰকেইটা পৃথক কৰিব পাৰিব।

### ধ্বনিগত সজাগতাৰ মান নিৰূপণৰ বাবে তলত দিয়া মাপকাঠি আৰু মূল্যায়নৰ দিশসমূহ মনত ৰাখিব

| পৰ্যায়-১ | পৰ্যায়-২ | পৰ্যায়-৩ |
|---|---|---|
| শিক্ষকৰ সহায় নোলোৱাকৈ নিৰ্দিষ্ট ধ্বনি আদি বা অন্ত্য যিকোনো অৱস্থানত চিনাক্ত কৰিবলৈ নোৱাৰে | নিৰ্দিষ্ট ধ্বনি আদি বা অন্ত্য যিকোনো অৱস্থানত চিনাক্ত কৰিব পাৰিছে কিন্তু শিক্ষকৰ সহায়ৰ প্ৰয়োজন | শিক্ষকৰ সহায় নোলোৱাকৈ নিজাববীয়াকৈ নিৰ্দিষ্ট ধ্বনি আদি বা অন্ত্য যিকোনো অৱস্থানতে চিনাক্ত কৰিব পাৰে। |

## মূল্যায়নৰ সবিশেষ

| মূল্যায়নৰ দিশসমূহ | নোৱাৰে | আংশিক পাৰিছে | সম্পূৰ্ণ | পাৰিছে | মন্তব্য |
|---|---|---|---|---|---|
| ছবিৰ নাম বা যিকোনো শব্দৰ প্ৰথম ধ্বনি ক'ব পাৰে | | | | | |
| ছবিৰ নামৰ শব্দ এটাৰ শেষ ধ্বনি ক'ব পাৰে | | | | | |
| ধ্বনিৰ অন্ত্যমিল কৰিব পাৰে। ছন্দ মিলাব পাৰে। | | | | | |
| ধ্বনিৰ আদ্যমিল কৰিব পাৰে। | | | | | |
| শব্দ এটাৰ ধ্বনিবোৰ পৃথক পৃথক কৰিব পাৰে। | | | | | |
| ধ্বনিৰ মিশ্ৰণ কৰি শব্দ সজাব পাৰে। | | | | | |
| ধ্বনিৰ বিয়োজন, প্ৰতিস্থাপন সংযোজন কৰিব পাৰে। | | | | | |
| খেলিমেলিকৈ উচ্চাৰণ কৰা ধ্বনিবোৰ ক্ৰমত সাজি শব্দগঠন কৰিব পাৰে | | | | | |

## পাঠ সাৱলীলতাৰ পৰিকল্পনাৰ সময়ত মনত ৰাখিবলগীয়া দিশসমূহ

| ক্ৰমিক নং | মনত ৰাখিবলগীয়া দিশসমূহ | হৈছে | হোৱা নাই |
|---|---|---|---|
| ১ | শিকন উদ্দেশ্য স্পষ্ট হৈছেনে ? | | |
| ২ | শিকাবলৈ লোৱা নিৰ্দিষ্ট ধ্বনিযুক্ত শব্দ বাছি লোৱা হৈছে নে ? | | |
| ৩ | ছবিৰ সহায়ত, শব্দৰ সহায়ত আদি ধ্বনিৰ বিভিন্নতা অনা হৈছে নে ? | | |
| ৪ | নিৰ্দিষ্ট ধ্বনিৰ ধাৰণা/চিনাক্তকৰণ আদি আৰু অন্ত্য দুয়োটা স্থানতে কৰা হৈছে নে ? | | |
| ৫ | অক্ষৰ সজাগতাৰ বাবে শব্দৰ নিৰ্বাচন পৰ্যায়গত (graded manner; যেনে— এটা, দুটা, তিনিটা অক্ষৰযুক্ত) হৈছে নে ? | | |
| ৬ | ক্ৰিয়াকলাপত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছে নে ? | | |

### পাঠোদ্ধাৰ কি?

লিখিত শব্দ এটা পঢ়া বা লিখাৰ পূৰ্বে সেই শব্দটোৰ ভিত্তৰত থকা প্ৰতীক কেইটাই (আখৰ/বৰ্ণই) কি কি ধ্বনি নিৰ্দেশ কৰিছে সেয়া অৱগত হ'ব লাগিব। সেই সুকীয়া ধ্বনিবোৰ লিখিত প্ৰতীক বোৰৰ আঁৰে আঁৰে লগ লাগি সম্পূৰ্ণ ধ্বনিটো উচ্চাৰিত হ'ব। অৰ্থাৎ এটা সম্পূৰ্ণ অৰ্থপূৰ্ণ ধ্বনিৰ প্ৰতিনিধিত্বত প্ৰতীকী শব্দটো উচ্চাৰণ কৰিব পৰাটোৱে হৈছে পাঠোদ্ধাৰ বা ডিক'ডিং।

সেয়ে শিকাৰুৰ ধ্বনিগত সজাগতাৰ দক্ষতাৰ ক্ষেত্ৰখন যিমান মজবুত হয়, তেওঁৰ পাঠোদ্ধাৰৰ বাবে দক্ষতাও সিমানেই মজবুত হয়।

এনেদৰে ক্ৰমান্বয়ে শিকাৰুজনে এটা অৰ্থপূৰ্ণ কথাৰ প্ৰতিনিধিত্ব কৰা প্ৰতীকী কথাৰ (বাক্যৰ) সম্পূৰ্ণ উচ্চাৰণ কৰি পঠনবোধৰ বিকাশ লাভ কৰে।

নিম্নপ্ৰাথমিক স্তৰত ছাত্ৰ ছাত্ৰীৰ পঠনৰ ক্ষেত্ৰত মৌলিক সমস্যাটো হ'ল— পাঠোদ্ধাৰ সম্পৰ্কীয় সমস্যা। উক্ত ঘটনা-অধ্যয়নবোৰত ছাত্ৰ-ছাত্ৰীৰ পাঠোদ্ধাৰ সম্পৰ্কীয় বিকাশ হোৱা-নাই বুলি তেওঁলোকে পাঠবোৰ সলসলীয়াকৈ পঢ়িব নোৱাৰে।

ধ্বনি আৰু আখৰৰ সম্পৰ্কৰ জ্ঞান ব্যৱহাৰ কৰি— শব্দ এটাক সঠিকভাৱে উচ্চাৰণ কৰিব পৰাৰ দক্ষতাটোক পাঠোদ্ধাৰ বুলি কোৱা হয়। পাঠোদ্ধাৰ আৰু ভাষাৰ বোধৰ বিকাশেই হৈছে পাঠোদ্ধাৰৰ দক্ষতাৰ বিকাশ, ন'হলে পঠন-দক্ষতাৰ বিকাশ অসম্ভৱ।

পাঠোদ্ধাৰ কৰিব নোৱাৰা কেইজনমান ছাত্ৰ-ছাত্ৰীৰ এটা বক্তব্যলৈ মন কৰোঁ আহকচোন—

- এই কেইটা শব্দ কেনেকৈ পঢ়ে, মই নাজানো।
- মই আখৰ আৰু ধ্বনিবোৰ জানো, পিছে এটা পাতত পঢ়িব নোৱাৰোঁ।
- শব্দকেইটা বুজি পাবলৈকে মোৰ সময় লাগে। কি লিখা আছে, ভাবিবলৈকে নোৱাৰো/বুজিয়েই নাপাওঁ।
- পাঠত বহুত শব্দ থাকিলে মোৰ খোকোজা লাগি যায়।
- প্ৰথম এটা বা দুটা আখৰ জোঁটাই পঢ়িব পাৰোঁ কিন্তু বাকীবোৰ অনুমান কৰি পঢ়োঁ, গতিকে ভুল হয়।
- শুনি লিখিব নোৱাৰোঁ; সেয়ে লিখোঁতে বেলেগ বেলেগ শব্দ/ভুল শব্দ(বানান) লিখোঁ।

**পাঠোদ্ধাৰ সম্পৰ্কীয় সমস্যাৰ সমাধান/পাঠোদ্ধাৰ সম্পৰ্কীয় দক্ষতা বিকাশ কৰিবলৈ মৌলিক কৌশলৰ বিকাশ কৰাটো জৰুৰী—**


- সম্পূৰ্ণ শব্দলৈ লক্ষ্য কৰা
- বাওঁফালৰ পৰা সোঁফাললৈ গতি কৰা।
- খণ্ডসমূহ লগ লগাই উচ্চাৰণ কৰা।
- শব্দৰ আৰম্ভণিত আঙুলি ৰখা।
- খণ্ডসমূহ ভাঙি ভাঙি উচ্চাৰণ কৰা।

**ছাত্ৰ-ছাত্ৰীৰ মাজত পাঠোদ্ধাৰৰ প্ৰক্ৰিয়াটোৰ বিকাশৰ বাবে পোনপ্ৰথমে মূৰ্তবস্তুৰ সহায়ত আৰম্ভ কৰাটো অধিক অৰ্থপূৰ্ণ।**

### ক্ৰিয়াকলাপৰ নমুনা—

১) আখৰ পৰিচয় পাঠোদ্ধাৰৰ প্ৰথম পদক্ষেপটো হৈছে ধ্বনি আৰু প্ৰতীকৰ সমন্বয়ৰ বিকাশ অৰ্থাৎ বৰ্ণ বা আখৰ চিনাক্তকৰণ। আখৰ শিকাবলৈ শ্ৰেণীকোঠাত শিক্ষকে যিকোনো এটা মূৰ্ত বস্তু/ছবি-কাৰ্ডৰ সহায় ল'ব। (উদ্দিষ্ট আখৰটো কেন্দ্ৰ কৰি।)

ছবিকাৰ্ডত প্ৰথমে ছবিটো দেখুৱাই ছবিটোৰ নাম সুধিব। তাৰ পাছত ছবিটোৰ তলত লিখা নামটোৰ প্ৰতি শিকাৰুৰ দৃষ্টি আকৰ্ষণ কৰিব আৰু সুধিব— 'দেখিছানে, ছবিটোৰ তলত ছবিটোৰ নাম লিখা আছে?



কমলা

এতিয়া শিক্ষকে ছবিখন ঢাকি দি কেৱলমাত্ৰ লিখিত 'কমলা' শব্দটোৰ প্ৰতি সম্পূৰ্ণ গুৰুত্ব দিব। এই পৰ্যায়ত শিক্ষকে কেৱল মাত্ৰ 'কমলা' শব্দ লিখা শব্দকাৰ্ডও ব্যৱহাৰ কৰিব পাৰে (অথবা শব্দটো ব্লেক ব'ৰ্ডত ডাঙৰকৈ লিখি দিব পাৰে)।

### পৃথকীকৰণ
### (Segmentation)

তাৰ পাছত, শব্দটোত থকা খণ্ডবোৰ হাত চাপৰি বজাই বজাই দেখুৱাব (যেনে— 'ক' হাত চাপৰি, 'ম' হাত চাপৰি, 'লা' হাত চাপৰি) 'ক' 'ম' 'লা'→ কমলা।

### বিয়োজন
### (Deletion)

তাৰ পৰৱৰ্তী পৰ্যায়ত 'কমলা' শব্দটোৰ — 'লা' আখৰটো হাতেৰে ঢাকি থ'ব। (ব'ৰ্ডত 'লা' আখৰটো হাতেৰে ঢাকি থ'ব।) তাৰপিছত শিক্ষাৰ্থীক সুধিব—

'কমলা' শব্দটোৰ পৰা 'লা' মচি দিলোঁ, (অথবা 'কি মচিলোঁ?') এতিয়া কি থাকিব বাকী?

— শিকাৰুৱে ক'ব→'কম'। শিক্ষকে পুনৰ 'ম' আখৰটো মচি দি সুধিব— 'কম'ৰ পৰা 'ম' আখৰটো মচি দিলোঁ' (অথবা কি মচিলোঁ); এতিয়া কি বাকী থাকিল?

## বিযুক্তকৰণ
## (Isolation)

— শিকাৰুৱে ক'ব→'ক'। এই পৰ্যায়ত শিক্ষকে বাৰম্বাৰ আখৰটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি ছাত্ৰ-ছাত্ৰীক সুধিব। ছাত্ৰ-ছাত্ৰীয়ে সমস্বৰে উচ্চাৰণ কৰিব।

এতিয়া শিক্ষকে শিকাৰুক বেলেগ বেলেগ শব্দৰ পৰা, চৌপাশৰ ছপাসমৃদ্ধ পৰিৱেশৰ পৰা 'ক' আখৰটো উচ্চাৰণ কৰি কৰি বিচাৰি উলিয়াবলৈ দিব।

এতিয়া শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ দৃষ্টি দিশ বিবেচনা কৰি বতাহত 'ক' আখৰটো আঁকিব/লিখিব আৰু ছাত্ৰ-ছাত্ৰীসকলকো লিখিবলৈ দিব।

পৰৱৰ্তী স্তৰত শিক্ষকে এটা খেল খেলাব পাৰে—

তেওঁ ছাত্ৰ-ছাত্ৰীসকলক শাৰী পাতি থিয় হ'বলৈ দিব আৰু আটাইকেইটা আঙুলিৰে লিখিব/শেষৰ জনে তেওঁৰ সন্মুখৰ জনৰ পিঠিত একেদৰে লিখিব আৰু এনেদৰে শিক্ষকৰ পৰ্যবেক্ষণত প্ৰক্ৰিয়াটো আটাইতকৈ সন্মুখৰ জনলৈ আগুৱাই যাব আৰু আটাইতকৈ সন্মুখৰ জনে আখৰটো ব'ৰ্ডত লিখিব। সদৌ শেষত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক আখৰটো লিখিবলৈ দিব। শ্ৰেণীকোঠাত আখৰৰ বানানবোৰ এনেদৰে দৃঢ় কৰিব পাৰি।

**আখৰৰ চিনাক্তকৰণ পৰ্যায়ত তলৰ ক্ৰমটোৰ দৰে কাৰ্যকলাপবোৰ আগবঢ়াব পাৰে—**

১) 'ক' বৰ্ণত ঘেৰ দিওঁ আহা —

**স্তৰ ১ ঃ** ক, ম, ল, ক, ৰ, ক, ত।

**স্তৰ ২ ঃ** কপাহ, কমল, কনক, বিকল।

**স্তৰ ৩ ঃ**

| | | | | |
|---|---|---|---|---|
| ক | ম | ল | ক | চ |
| ৰ | ক | ত | ল | ক |

**স্তৰ ৪ ঃ**

| | | |
|---|---|---|
| কলহ | নকল | জাক |
| কনক | তাকৰ | বিকল |

**আখৰৰ জোঁটনি** (Blending)

শিক্ষকে স্বৰচিহ্ন শিকাৰুৰ পৰিচিত আখৰবোৰ লৈ আখৰৰ জোঁটনিৰ কাৰ্য-কলাপ কৰিবলৈ দিব।

আখৰবোৰ লগ লগাই পঢ়োঁ আহা —

**স্তৰ ১ ঃ (স্বৰচিহ্নবিহীন দুটা বৰ্ণৰ)**

| | | | |
|---|---|---|---|
| ক | ল | → | কল |
| ব | ল | → | |
| ন | ল | → | |

**স্তৰ ২ ঃ (দুটা বৰ্ণ, এটা স্বৰচিহ্ন)**

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ক | থা | → | কথা | না | ক | → | |
| নি | ম | → | | ফু | ল | → | |

এনেদৰে

একেই স্বৰচিহ্ন দুটা বৰ্ণ → স্বৰচিহ্ন বিহীন এটা বৰ্ণ → এটা স্বৰচিহ্নযুক্ত তিনিটা বৰ্ণ → দুটা বেলেগ বেলেগ স্বৰচিহ্নযুক্ত দুটা বৰ্ণ → বেলেগ বেলেগ দুটা স্বৰচিহ্নযুক্ত তিনিটা বৰ্ণ → স্বৰচিহ্নবিহীন চাৰিটা বৰ্ণ → এটা স্বৰচিহ্নযুক্ত চাৰিটা বৰ্ণ → তিনিটা বেলেগ বেলেগ স্বৰচিহ্নযুক্ত তিনিটা বৰ্ণ → ৪টা স্বৰচিহ্নযুক্ত ২টা বৰ্ণ →

ক্ৰমত আগবাঢ়ি যাব।

ইয়াৰ পৰৱৰ্তী স্তৰত শিক্ষকে শব্দ পঢ়িবলৈ দিব (ইতিমধ্যে লগলগাই পঢ়া আৰু লিখা কাৰ্যকলাপ কৰি অহা স্তৰৰ)

**কাৰ্যকলাপৰ নমুনা —**


পঢ়োঁ আহা —


কমল    কমলা    ৰাতি    আবেলি

কেৱল শব্দ পঠনত অৰ্থপূৰ্ণ বা অৰ্থহীন যিকোনো শব্দগঠন হ'ব পাৰে। ইয়াৰ পিছৰ পৰ্যায়ত শব্দৰ অৰ্থপূৰ্ণ দিশলৈ গতি কৰিব; অৰ্থাৎ শব্দই যে যিকোনো বস্তু, ব্যক্তি, স্থান বা আন যিকোনো অৰ্থপূৰ্ণ দিশ নিৰ্দেশ কৰে তাৰ বাবে শিক্ষকে ছবিৰ সহায়ত কাৰ্য-কলাপ কৰিবলৈ দিব।

## ক্ৰিয়াকলাপ - ৪

**স্তৰ ১ ঃ ছবিৰ নাম সম্পূৰ্ণ কৰোঁ আহা—**






..............................কুৰী ..............................মু

('ঝংকাৰ'-প্ৰথম ভাগ- পৃষ্ঠা-২১, ২৩, ৪৮)

**স্তৰ ২ ঃ (ছবি সহায়ত) ঃ আখৰবোৰ লগলগাই পঢ়োঁ আৰু লিখোঁ—**






ব ল → বল ক ল ম → ☐

('ঝংকাৰ'-প্ৰথম ভাগ- পৃষ্ঠা-৪৯ আৰু ৬১)

**স্তৰ ৩ ঃ ছবি চাই ছবিৰ নাম লিখা—**









...................................... ......................................

('ঝংকাৰ'-প্ৰথম ভাগ- পৃষ্ঠা-৬৬)

## স্তৰ ৪ ঃ তলৰ শব্দবোৰ পঢ়া (ছবি নোহোৱাকৈ)

| | | | |
|---|---|---|---|
| গৰু | নেমু | জাপি | মেকুৰী |

## স্তৰ ৫ ঃ ছবিবোৰৰ সৈতে ছবিৰ নামবোৰ আঁচটানি মিলাওঁ আহা—

কল                ছাগলী                মেকুৰী                গৰু

## স্তৰ ৬ ঃ  সঠিক আখৰ বহুৱাই শব্দবোৰ পূৰ কৰোঁ আহা—

ক..........হ,                মে........ৰী

কম............,                কুকু.........

তলত দিয়া আখৰবোৰেৰে ৩/৪টা কৈ শব্দ লিখোঁ আহা —

| ক | ছা | বে |
|---|---|---|
| ____ | ____ | ____ |
| ____ | ____ | ____ |
| ____ | ____ | ____ |
| ____ | ____ | ____ |

শেষৰ আখৰটো সলনি কৰি নতুন শব্দ লিখোঁ আহা —

ক (ল) → কল

ন (খ) → ন........

**পূৰ্বৱৰ্তী শব্দৰ শেষৰ আখৰেৰে পৰৱৰ্তী শব্দ সাজোঁ আহা—**

বৰল → লতা → তা........ → [ ] → [ ] → [ ]

**স্তৰ ৭ ঃ আখৰ জালৰ পৰা শব্দগঠন কৰোঁ আহা —**

| | | |
|---|---|---|
| ক | ল | ম |
| ম | ৰ | ম |
| লা | ব | ন |

.............................


.............................

.............................


(এই ক্ৰিয়াকলাপটো যদিও অৰ্থপূৰ্ণ শব্দৰ বাবে অধিক উপযুক্ত, তথাপিও ছাত্ৰ-ছাত্ৰীয়ে শব্দগঠন কৰিব পৰা, শব্দ পঢ়িব পৰা দক্ষতাৰ বিকাশৰ পৰৱৰ্তী পৰ্যায়ৰ পৰাই স্তৰ অনুসৰি এই ক্ৰিয়াকলাপটো কৰিবলৈ দিয়াটো জৰুৰী)

**স্তৰ ৮ ঃ খেলিমেলিকৈ দিয়া আখৰবোৰেৰে শব্দ সাজোঁ আহা —**

**ধৰণ-১**



ণ ৰি হ [ ]



ল কঁ ঠা [ ]

ধৰণ-২ ঃ ছবি নোহোৱাকৈ —

কু ৰী মে ⟶ [ ]

লি ডা ম ⟶ [ ]

স্তৰ ৯ ঃ শুনি লিখোঁ আহা —

**পৰিচিত শব্দৰ শ্ৰুতলিপি**

স্তৰ ১০ ঃ ছবিখন চাই ছবিখনৰ বিষয়ে ৩-৪ টা শব্দ লিখোঁ আহা —



___________________________________________

___________________________________________

___________________________________________

___________________________________________

ইয়াৰ পৰৱৰ্তী স্তৰত শিক্ষাৰ্থীয়ে ২/৩ টা শব্দ লগলগাই বাক্য এটা আৰু তাৰ পৰৱৰ্তী পৰ্যায়লৈ তেনে ২/৩ টা বাক্য সলসলীয়াকৈ পঢ়িবলৈ সক্ষম হ'ব।

# যুক্তাক্ষৰ পাঠোদ্ধাৰ

শিক্ষাৰ্থীয়ে২/৩ টা সৰলশব্দৰ ২/৩ টা সৰল বাক্য সলসলীয়াকৈ পঢ়িব পৰা স্তৰত অৰ্থাৎ দ্বিতীয় শ্ৰেণীত যুক্তাক্ষৰৰ পাঠোদ্ধাৰৰ ক্ৰিয়াকলাপৰ সূচনা কৰিব।

**পদক্ষেপ ১ ঃ** পৰ্যাপ্ত অৰ্থপূৰ্ণ স্তৰ অৰ্থাৎ দফা বা বাক্যৰ পৰা যুক্তাক্ষৰযুক্ত শব্দটো লৈ শিক্ষকে একেই যুক্তাক্ষৰৰ আন আন শব্দত পাঠোদ্ধাৰৰ কাৰ্যকলাপ কৰাব।

**পদক্ষেপ ২ ঃ একেই যুক্তাক্ষৰযুক্ত বেলেগ বেলেগ শব্দ দি পঢ়িবলৈ দিব।**

শিক্ষকে শিকাৰুক দিয়া বাক্য বা দফা এটাৰ পৰা একেই যুক্তাক্ষৰটো চিনাক্ত কৰিবলৈ দিব।

যেনে—

য়-কাৰ (্য) যুক্ত শব্দত ঘেৰ চিন দিওঁ আহা—

অৰণ্যত সিংহ থাকে।

**পদক্ষেপ ২ ঃ** এই পৰ্যায়ত ছাত্ৰ-ছাত্ৰীক পৰ্যাপ্ত অনুশীলন আৰু অভ্যাসৰ জৰিয়তে আয়ত্ব কৰা নিৰ্দিষ্ট যুক্তাক্ষৰযুক্ত শব্দ (বিযুক্ত আৰু বাক্যৰ ভিতৰত) স্বতন্ত্ৰভাৱে পঢ়িবলৈ দিব।

(এই পৰ্যায়ত নিৰ্দিষ্ট যুক্তাক্ষৰ যুক্ত শব্দবোৰ /বাক্য চাই চাই লিখিবলৈ দিব।)

**পদক্ষেপ ৫ ঃ** এইপৰ্যায়ত নিৰ্দিষ্ট যুক্তাক্ষৰ-যুক্ত শব্দগঠনৰ বিভিন্ন কাৰ্যকলাপবোৰ কৰাব।

**পদক্ষেপ ৬ ঃ** এই পৰ্যায়ত শিক্ষকে ছাত্ৰ-ছাত্ৰীক বাক্যত শব্দৰ যুক্তাক্ষৰযুক্ত শব্দ প্ৰয়োগ কৰিবলৈ দিব।

**পাঠোদ্ধাৰৰ ক্ৰিয়াকলাপ ঃ** শিক্ষকে পৰিকল্পনাৰ বাবে 'অংকুৰণ' তৃতীয় ভাগৰ 'ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা' পাঠটি (পাঠ-৩) পাঠোদ্ধাৰৰ বাবে বাছি ল'ব।

বহু অক্ষৰযুক্ত শব্দ, (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি) অৰ্থহীন শব্দ সঠিকভাৱে পঢ়িব পাৰিব।

**শিকন ফলাফল ঃ** বহু অক্ষৰযুক্ত শব্দ (যুক্তাক্ষৰ, ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি সঠিকভাৱে পঢ়িব পাৰিব।)

**উপ শিকন ফলাফল ঃ** ৰেফ ' ´ ' যুক্ত শব্দ পঢ়িব আৰু লিখিব পাৰিব।

## পাঠোদ্ধাৰৰ পৰিকল্পনা

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দিষ্ট ঠাইত আসন গ্ৰহণ কৰোৱাৰ পাছতে তলত দিয়া পদ্যটো গাই শুনাব—

সদায় পুৱা গৰ্গ মামাই
কৰ্কৰা ভাত খাই
ধৈৰ্য ধৰি কৰ্ম কৰে
গৰ্ব অকণো নাই।
অযথা তৰ্ক নকৰে কদাপি
সকলোতে তেওঁ পাৰ্গত,
হৰ্ষমনেৰে থাকে নিতৌ
বগাবও পাৰে পৰ্বত।

- এইবাৰ সকলোকে পদ্যটো গাবলৈ দিব।
- পদ্যটো গাওঁতে যিবোৰ নতুন শব্দ পাইছে সেইবোৰ বোৰ্ডত লিখি যাব।
- ছাত্ৰ-ছাত্ৰীসকলক নিজৰ বহীত লিখি ল'বলৈ দিব।

  গীতটোত থকা শব্দকেইটা ঘেৰ দিবলৈ ক'ব—

**গৰ্গ** **কৰ্কৰা** **ধৈৰ্য** **কৰ্ম** **গৰ্ব**
**তৰ্ক** **পাৰ্গত** **হৰ্ষমনেৰে** **পৰ্বত**

- পদ্যটোত থকা শব্দবোৰ আকৌ ক'বলৈ দিব।
- বোৰ্ডত দেখুৱাই ক'ব যে আমি যিবোৰ শব্দ আলোচনা কৰি আছোঁ, সেইবোৰ কওঁতে ৰ উচ্চাৰণ কৰিবলগীয়া হৈছে। কিন্তু শব্দবোৰত 'ৰ' আখৰটো পোনপটীয়াকৈ দেখা নাযায়। ইয়াৰ অৰ্থ হ'ল শব্দবোৰত ৰ আখৰটো আন আখৰৰ লগত লগ হৈ আছে। যেনে— 'গৰ্গ' শব্দটো উচ্চাৰণ কৰোঁতে 'ৰ'ৰ উচ্চাৰণ 'গ'ৰ আগত কৰা হৈছে। অৰ্থাৎ 'ৰ' 'গ'ৰ লগত লগলাগি আছে। গতিকে, ইয়াত 'গ' আৰু 'ৰ্' গ লগলাগি গৰ্গ হৈছে। ইয়াক আমি গৰগ বুলি নকৈ গৰ্গ বুলি কওঁ। লগলাগি থকা 'ৰ'টো '́' ৰেফ বুলি কোৱা হয় আৰু যিটো বৰ্ণৰ ওপৰত '́' থাকে সেই বৰ্ণটোৰ উচ্চাৰণৰ আগত 'ৰ'ৰ উচ্চাৰণ আহে।
- **গৰ্ব** **সৰ্প** **ধৰ্ম** **কৰ্ণ**

  এই শব্দকেইটা ছাত্ৰ-ছাত্ৰীক পঢ়ি লিখিবলৈ দিব।
- শুদ্ধকৈ লিখিবলৈ ছাত্ৰ-ছাত্ৰীক শিক্ষকে সহায় কৰিব।

শিক্ষকে ছাত্ৰ-ছাত্ৰীয়ে বুজি পাইছে নে নাই পৰীক্ষা কৰিবৰ বাবে পাঠ্যপুথিৰ পৰা '́' ৰেফ থকা শব্দ পঢ়িবলৈ দিব।

**তৰ্ক** **দৰ্জা** **পৰ্দা** **অৰ্শ**
**খৰ্গ** **বৰ্ষ** **ধূৰ্ত** **খৰ্ব**
**বৰ্ণনা** **অৰ্জুন** **নৰ্মদা** **মাৰ্জনা**

## মূল্যায়নৰ সবিশেষ

| মূল্যায়নৰ দিশসমূহ | নোৱাৰে | আংশিক পাৰিছে | সম্পূৰ্ণ পাৰিছে | মন্তব্য |
|---|---|---|---|---|
| ধ্বনিৰ লগত সংশ্লিষ্ট আখৰ যোগ কৰিব পাৰিছে। | | | | |
| শব্দত থকা নিৰ্দিষ্ট আখৰ চিনাক্ত কৰিব পাৰিছে। | | | | |
| আখৰ লগ লগাই পঢ়িব পাৰিছে। | | | | |
| ছবিৰ নাম সম্পূৰ্ণ কৰিব পাৰিছে। | | | | |
| দৃশ্য শব্দবোৰ চিনাক্ত কৰিব পাৰিছে। | | | | |
| খেলিমেলিকৈ দিয়া আখৰবোৰ ক্ৰমত সাজি শব্দ গঠন কৰিব পাৰিছে। | | | | |
| পৰিচিত শব্দৰ শ্ৰুতলিপি লিখিব পাৰিছে। | | | | |
| বাক্য এটা শুদ্ধকৈ পঢ়িব পাৰিছে। | | | | |

### ধ্বনিগত সজাগতাৰ মান নিৰূপণৰ বাবে তলত দিয়া মাপকাঠি আৰু মূল্যায়নৰ দিশসমূহ মনত ৰাখিব

| পৰ্যায়-১ | পৰ্যায়-২ | পৰ্যায়-৩ |
|---|---|---|
| শিক্ষকৰ সহায়লৈও ৰেফ ( ´ ) যুক্ত শব্দ পঢ়িব আৰু লিখিব পৰা নাই। | ৰেফ ( ´ ) যুক্ত শব্দ শিক্ষকৰ সহায়ত পঢ়িব আৰু লিখিব পাৰিছে। | ৰেফ ( ´ ) যুক্ত শব্দ নিজাববীয়াকৈ পঢ়িব আৰু লিখিব পাৰিছে। |

## ধ্বনি সজাগতাৰ পৰিকল্পনাৰ সময়ত মনত ৰাখিবলগীয়া দিশসমূহ

| ক্ৰমিক নং | মনত ৰাখিবলগীয়া দিশসমূহ | হৈছে | হোৱা নাই |
|---|---|---|---|
| ১ | শিকন উদ্দেশ্য স্পষ্ট হৈছেনে? | | |
| ২ | শিকাবলৈ লোৱা নিৰ্দিষ্ট ধ্বনিযুক্ত শব্দ বাছি লোৱা হৈছে নে? | | |
| ৩ | ছবিৰ সহায়ত, শব্দৰ সহায়ত আদি ধ্বনিৰ বিভিন্নতা অনা হৈছে নে? | | |
| ৪ | নিৰ্দিষ্ট ধ্বনিৰ ধাৰণা/চিনাক্তকৰণ আদি আৰু অন্ত্য দুয়োটা স্থানতে কৰা হৈছে নে? | | |
| ৫ | অক্ষৰ সজাগতাৰ বাবে শব্দৰ নিৰ্বাচন পৰ্যায়গত (graded manner যেনে— এটা, দুটা, তিনিটা অক্ষৰযুক্ত) হৈছে নে? | | |
| ৬ | ক্ৰিয়াকলাপত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছে নে? | | |

**পাঠোদ্ধাৰ মূল্যায়ন কেনেকৈ কৰিব?**

পৰ্যায় ১ — স্বৰচিহ্নবিহীন শব্দৰ তালিকা বনাই পঢ়িবলৈ আৰু লিখিবলৈ দিব। যেনে—

তলত দিয়া শব্দবোৰ পঢ়া—

| | | | |
|---|---|---|---|
| বল | কল | জল | তল |
| কলম | মলম | বৰল | তৰল |

পৰ্যায় ২ — স্বৰচিহ্নবিহীন শব্দৰ তালিকা বনাই পঢ়িবলৈ আৰু লিখিবলৈ দিব। যেনে—

তলত দিয়া শব্দবোৰ পঢ়া—

| | | | | |
|---|---|---|---|---|
| বগা | কলা | ৰঙা | জপা | ছপা |
| কেৰেলা | বেঙনা | জপনা | বেজাৰ | কেৰম |
| জিকা | জিৰা | সীতা | গীতা | পিতা |
| সুমথিৰা | জলকীয়া | বৰণীয়া | মনোৰম | মৰমীয়াল |

পৰ্যায় ৩ — যুক্তাক্ষৰ যুক্ত শব্দৰ তালিকা বনাই পঢ়িবলৈ আৰু লিখিবলৈ দিব। যেনে—

তলত দিয়া শব্দবোৰ পঢ়া আৰু শুনি লিখা—

| | | | | |
|---|---|---|---|---|
| গৰ্গ | বিহু | স্বাধীন | বান্দৰ | আন্ধাৰ |
| অন্ন | উল্লাস | অট্টালিকা | ভাস্কৰ | গুল্ম |
| নমস্কাৰ | উল্কা | ক্লান্ত | চুক্তি | নশ্বৰ |

### পঠন সাৱলীলতা

পাঠ এটা সঠিক ৰূপত স্বতঃস্ফূৰ্তভাৱে উপযুক্ত লয়, বিৰাম, গতি কণ্ঠৰ তীব্ৰতা তথা কণ্ঠৰ উত্থান-পতনৰ সৈতে স্পষ্টকৈ পঢ়িব পৰাটোৱে হৈছে পঠন সাৱলীলতা।

### পঠন সাৱলীলতাৰ উপাদান—

মৌখিক পঠন সাৱলীলতাৰ (Oral Reading Fluency)ৰ মূল উপাদানবোৰ হৈছে—

**সাৱলীল পঠন**

- পাঠোদ্ধাৰৰ সঠিকতা
- শব্দ চিনাক্তকৰণৰ স্বতঃস্ফূৰ্ততা (স্বয়ংক্ৰিয়তা)
- উপযুক্ত লয়, বিৰাম, কণ্ঠৰ তীব্ৰতা তথা কণ্ঠৰ উত্থান-পতন (প্ৰকাশভংগী)

### পাঠোদ্ধাৰৰ সঠিকতা ঃ

প্ৰতিটো শব্দৰ সঠিক ধ্বনিগত উপস্থাপন কৰিব পৰা দক্ষতাই হৈছে পাঠোদ্ধাৰৰ সঠিকতা।

### শব্দ চিনাক্তকৰণৰ স্বতঃস্ফূৰ্ততা (স্বয়ংক্ৰিয়তা) ঃ

পাঠ এটাত দ্ৰুত আৰু অনায়াসে শব্দ চিনাক্ত কৰিব পৰা দক্ষতা হৈছে শব্দ চিনাক্তকৰণৰ স্বতঃস্ফূৰ্ততা (স্বয়ংক্ৰিয়তা)। ইয়াৰ বাবে অবিৰত পঠন অভ্যাসৰ প্ৰয়োজন।

### উপযুক্ত লয়, বিৰাম, কণ্ঠৰ তীব্ৰতা তথা কণ্ঠৰ উত্থান-পতন (প্ৰকাশভংগী) ঃ

উপযুক্ত সুৰ, লয়, বিৰতি, কণ্ঠৰ তীব্ৰতা তথা উত্থান-পতনৰ সৈতে পঢ়িব পৰা দক্ষতাই হৈছে প্ৰকাশভংগী। শিকাৰু এজনে উপযুক্ত প্ৰকাশভংগীৰ সৈতে পঢ়িবলৈ হ'লে তেওঁ পঢ়ি থকা সময়ত পাঠটোৰ বিষয়ে কিছু বোধ লাভ কৰি থাকিব লাগিব। পাঠটোৰ সামগ্ৰিক বোধ নিৰ্ভৰ কৰে উপযুক্ত প্ৰকাশভংগী লাভ কৰাত আৰু প্ৰকাশভংগী নিৰ্ভৰ কৰে শব্দৰ উচ্চাৰণৰ সঠিকতা আৰু গতিৰ ওপৰত।

**পঠন সাৰলীলতাৰ ক্ৰিয়াকলাপ ঃ** শিক্ষকে পৰিকল্পনাৰ বাবে 'অংকুৰণ তৃতীয় ভাগ'ৰ 'ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা' পাঠটি (পাঠ-৩) পঠন সাৰলীলতাৰ বাবে বাছি ল'ব।

**শিকন ফলাফল ঃ** ১) প্ৰতিটো শব্দৰ সঠিক ধ্বনিগত উপস্থাপন কৰিব পাৰিব।
২) উপযুক্ত সুৰ, লয়, বিৰতি, কণ্ঠৰ তীব্ৰতা তথা উত্থান-পতনৰ সৈতে পঢ়িব পৰা দক্ষতা আয়ত্ব কৰিব পাৰিব।

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ৬/৫ জনীয়া দলত ভগাই ল'ব আৰু প্ৰতিটো দলতে তলত দিয়া দফাটোৰ প্ৰতিলিপি একোটা বিতৰণ কৰিব।

'এখন হাবিত এটা বান্দৰ আৰু এটা শিয়াল আছিল। দুয়ো ভাল বন্ধু। এজনে আনজনক বৰ বিশ্বাস কৰে। এদিন শিয়ালে বান্দৰক এটা ঢোল দি সুধিলে, "তুমি ঢোল বজাব জানানে?" জানা যদি বজোৱাচোন। বান্দৰেও আনন্দমনে ঢোলত কোব দিলে। বান্দৰক বৰলে বিন্ধিলে। কাৰণ সেইটো ঢোল নহয় বৰলৰ বাহ আছিল'— দফাটো পঢ়াৰ পিছত শিক্ষকে শুদ্ধ আৰু স্পষ্টকৈ পঢ়িছেনে নাই লক্ষ্য কৰিব।

**শিক্ষকে তলত দিয়া প্ৰশ্নকেইটা সুধিব—**

১) তোমালোকে দাৰি, প্ৰশ্নবোধক চিন ব্যৱহাৰ কৰিব পাৰিছানে?
২) দফাটো পঢ়ি বুজি পাইছানে?

শিক্ষকে দফাটো স্পষ্টকৈ আৰু উপযুক্ত লয় বিৰাম আৰু প্ৰকাশভংগীৰে পঢ়ি শুনাব পঢ়ি থকাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিটো শব্দৰ তলত আঙুলি বুলাই যাবলৈ ক'ব আৰু মন কৰিব যাতে সকলোৱে মনোযোগেৰে শুনে আৰু আঙুলি বুলাই যায়।

শিক্ষকে এইদৰে দুবাৰ সৰৰ, সাৰলীল পঠন কৰাৰ পাছত প্ৰতিটো দলৰ পৰা একোজনকৈ পঠনত ভাল ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰি পাঠটো পঢ়িবৰ বাবে মাতিব। তাৰ পাছত এই কাৰ্যটো পুনৰ প্ৰতিটো দলৰ পঠনত দুৰ্বল বুলি মনে ধৰা ছাত্ৰ-ছাত্ৰীকেইজনমানক মাতি আনি কৰাব আৰু তেওঁলোকে টান পোৱা শব্দবোৰ পঢ়াত সহায় কৰিব আৰু বোৰ্ডত লিখি যাব।

তাৰ পাছত শিক্ষকে বোৰ্ডত লিখা শব্দবোৰত আঙুলি বুলাই ডাঙৰকৈ পঢ়িব আৰু সকলো ছাত্ৰ-ছাত্ৰীকে উচ্চাৰণ কৰিবলৈ দিব।

এই কাৰ্যটো অৰ্থাৎ দফাটো শুদ্ধ আৰু স্পষ্টভাৱে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব পৰা হৈছে নে নাই, কিমান সময়ৰ ভিতৰত পঢ়ি শেষ কৰিব পাৰিছে, তাৰ তথ্য ৰাখিব।

## সাৰলীল পঠনৰ মূল্যায়নৰ ক্ৰিয়াকলাপ ঃ

**তলত দিয়া দফাটো পঢ়া —**

অম্লান আৰু অনন্যাই অসমলৈ ফুৰিবলৈ আহিছে। দেউতাকৰ চাকৰি সূত্ৰে তেওঁলোক অসমৰ বাহিৰতে থাকে। এইবাৰ প্ৰথম তেওঁলোক পেহীয়েকৰ ঘৰলৈ আহিছে। পেহীয়েকৰ ঘৰ

## সাৰলীল পঠনৰ মূল্যায়নৰ ক্ৰিয়াকলাপ ঃ

**তলত দিয়া দফাটো পঢ়া —**

অম্লান আৰু অনন্যাই অসমলৈ ফুৰিবলৈ আহিছে। দেউতাকৰ চাকৰি সূত্ৰে তেওঁলোক অসমৰ বাহিৰতে থাকে। এইবাৰ প্ৰথম তেওঁলোক পেহীয়েকৰ ঘৰলৈ আহিছে। পেহীয়েকৰ ঘৰ সৰ্থেবাৰীত।

"শৰৎ কালৰ সন্ধিয়া। ফৰিংফুটা জোনাকত আধাফুলা শেৱালি ফুলবোৰ জিলিকি উঠিছে। ফুলৰ সুবাসে চৌদিশ আমোলমোলাইছে। দূৰৈৰ নামঘৰৰ পৰা বৰকাঁহৰ ঢং ঢং ধ্বনি ভাঁহি আহিছে। অম্লান আৰু অনন্যা পেহাকৰ লগত আগ চোতালতে বহিল। গোটেই পৰিৱেশটো তেওঁলোকৰ বৰ ভাল লাগিল। পেহাকে ঘৰুৱা খা-খবৰ সোধাৰ লগতে তেওঁলোকৰ পঢ়া-শুনাৰো খবৰ ল'লে।"

এনেতে পেহীয়েকে আটাইকে ভাত খাবলৈ ভিতৰলৈ মাতি নিলে। বান-কাঁহীত ভাত আৰু কাঁহৰ বাটিত নানা তৰহৰ আঞ্জা বাঢ়ি দিছে। অনন্যাই ভাতৰ কাঁহীখন একেথৰে চাই থকা দেখি পেহাকে সুধিলে— "কি চাইছা অনন্যা?" অনন্যাই ক'লে— "এই বটাখন চাইছোঁ। বটাখন মোৰ বৰ ভাল লাগিছে।" ওচৰতে বৈ থকা পেহীয়েকে হাঁহি মাৰি ক'লে— "এইখন বটা নহয়, বান-কাঁহীহে। এনেকুৱা নানা ধৰণৰ সুন্দৰ সুন্দৰ কাঁহৰ পাত্ৰ পেহাৰাই নিজ হাতে গঢ়িছে। তাৰ বাবে চৰকাৰে তেখেতক পুৰস্কাৰ দিছে।"

**শিক্ষকে প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে মুঠ ১ মিনিট (৬০ ছেকেণ্ড)ৰ সময় বান্ধি দিব।**

- প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে অশুদ্ধকৈ উচ্চাৰণ কৰা শব্দত দাগ দি যাব।
- যদি কোনো শব্দত কোনোবাজন ছাত্ৰ বা ছাত্ৰী ৰৈ গৈছে ২/৩ ছেকেণ্ড ৰখাৰ পাছত পাছৰ শব্দৰ পৰা পঢ়িবলৈ ক'ব।

শিক্ষকে তলত দিয়া ধৰণে তথ্য ৰাখিব।

(ক) মুঠ পঢ়িব পৰা শব্দৰ সংখ্যা $\frac{\quad}{৭৯}$

(খ) শুদ্ধকৈ পঢ়িব পৰা মুঠ শব্দৰ সংখ্যা $\frac{\quad}{৭৯}$

**শিক্ষকৰ চমু মন্তব্য ঃ**
মন্তব্য লিখাৰ দিশ– কেনেবোৰ শব্দ পঢ়িব পৰা নাই, কোনো নিৰ্দিষ্ট আখৰ থকা, স্বৰচিহ্নবিহীন, স্বৰচিহ্নযুক্ত, যুক্তাক্ষৰযুক্ত আদি।

## পঠনৰ মান নিৰূপণৰ বাবে তলত দিয়া মাপকাঠি আৰু মূল্যায়নৰ দিশসমূহ মনত ৰাখিব

| পৰ্যায়-১ | পৰ্যায়-২ | পৰ্যায়-৩ |
|---|---|---|
| শিক্ষকৰ সহায়তহে পাঠটো পঢ়িব পাৰিছে। | পাঠটো পঢ়িব পাৰিছে কিন্তু নিৰ্দিষ্ট কিছুমান ঠাইত শিক্ষকৰ সহায়ৰ প্ৰয়োজন | পাঠটো নিজাববীয়াকৈ শিক্ষকৰ সহায় অবিহনে সাৱলীলভাৱে নিৰ্দিষ্ট সময়ৰ ভিতৰতে পঢ়িব পাৰিছে। |

## মূল্যায়নৰ সবিশেষ

| মূল্যায়নৰ দিশসমূহ | নোৱাৰে | আংশিক পাৰিছে | সম্পূৰ্ণ | পাৰিছে | মন্তব্য |
|---|---|---|---|---|---|
| প্ৰতিটো শব্দৰ সঠিক ধ্বনিগত উপস্থাপন কৰিব পাৰে। | | | | | |
| স্বতঃস্ফূৰ্তভাৱে শব্দ চিনাক্ত কৰিব পাৰে। | | | | | |
| উপযুক্ত সুৰ, লয়, গতি আৰু বিৰাম চিহ্ন ব্যৱহাৰ কৰিব পাৰে। | | | | | |
| উপযুক্ত সুৰ, লয়, গতি, বিৰাম চিহ্নৰ লগতে কণ্ঠৰ উত্থান-পতনৰ দক্ষতা আয়ত্ব কৰিছে। | | | | | |
| নিৰ্দিষ্ট সময়ত শুদ্ধকৈ পঢ়িব পাৰিছে। | | | | | |
| অপৰিচিত বা নতুন দফা পঢ়িব পাৰে। | | | | | |

## পাঠ সাৰলীলতাৰ পৰিকল্পনাৰ সময়ত মনত ৰাখিবলগীয়া দিশসমূহ

| ক্ৰমিক নং | মনত ৰাখিবলগীয়া দিশসমূহ | হৈছে | হোৱা নাই |
|---|---|---|---|
| ১ | শিকন উদ্দেশ্য স্পষ্ট হৈছেনে ? | | |
| ২ | বিষয়বস্তুৰ উপযুক্ত উপস্থাপন হৈছেনে ? | | |
| ৩ | ক্ৰিয়াকলাপত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছেনে ? | | |
| ৪ | বিষয়বস্তুৰ সকলো দিশত আলোচনা হৈছেনে ? | | |
| ৫ | আলোচনাৰ সময়ত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছেনে ? | | |
| ৬ | মূল্যায়নত সকলো দিশত প্ৰশ্নৰ অৱতাৰণা কৰা হৈছেনে ? | | |

## ক্ষেত্র ঃ

# পঠন বোধগম্যতা

## পঠন বোধগম্যতা

পঠন বোধগম্যতা বুলিলে এটি পাঠৰ অংশ বা পাঠটি পঢ়ি সেই পাঠৰ অৰ্থ বুজি পোৱা আৰু পাঠটোৰ বিষয়ে বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পৰা ক্ষমতা বা অৰ্হতাক বুজায়। পঠন বোধগম্যতা সঠিকভাৱে হ'লে শিশুৱে নিজে পঢ়ি বুজি পোৱা পাঠটিৰ বিষয়ে আনকো বুজাব পাৰিব।

- পাঠ-পঢ়ি বুজি উঠাৰ লগতে পাঠৰ পৰা তথ্য উলিয়াব পৰাৰ উপৰিও পাঠৰ অৰ্থ বুজি পায়।
- পঠন বোধগম্যতা হ'লে পাঠকে পঢ়ি উঠা পাঠৰ অংশ বা দফাক বৰ্ণনা কৰিবলৈ, বুজি উদাহৰণ দিবলৈ, অৰ্থ বুজি অনুমান, সাৰাংশ ক'বলৈ সক্ষম হয়।
- পঠন বোধগম্যতা হ'লে পাঠকে এটা পাঠৰ অৰ্থ বুজাৰ লগতে সমীক্ষামূলকভাৱে চিন্তা কৰিব পাৰে।

### পঠন বোধগম্যতাৰ সৈতে জড়িত কেইটিমান বিশেষ উপাদান হৈছে —

১) মূলধাৰণা বুজি পোৱা (Main Idea) (২) অৰ্থ বুজি পোৱা (Inference/ Interpret)
৩) ক্ৰম বুজি পোৱা (Sequence)
৪) ঘটনা বা তথ্য তুলনা কৰিব পৰা (Compare and contrast)
৫) ঘটনাৰ কাৰণ আৰু ফলাফল বুজি পোৱা (Cause and Effect)

### পঠন বোধগম্যতাৰ কেইটিমান উমৈহতীয়া পদ্ধতি আৰু প্ৰকাৰ হৈছে —

- গভীৰভাৱে পাঠ এটা বুজাৰ বাবে লাহে লাহে সূক্ষ্মভাৱে কৰা পঠন। (Extensive reading)
- পাঠত থকা অত্যধিক তথ্য কম সময়তে আহৰণ কৰিবৰ বাবে কৰা পঠন। (Intensive reading)
- পাঠ এটাৰ মূল ধাৰণা বাছি উলিয়াবৰ বাবে দ্ৰুতভাৱে কৰা পঠন। (Skimming)
- পাঠৰ নিৰ্দিষ্ট তথ্য আহৰণৰ বাবে দ্ৰুতভাৱে কৰা পঠন। (Scanning)

### পঠন বোধগম্যতাৰ লগত জড়িত কেইটিমান কৌশল হৈছে —

- চকুৰে চাই বুজি পোৱা (Visualizing)
- পূৰ্ব অনুমান কৰিব পৰা (Predicting)
- দফা এটি পঢ়ি দফাটোত পৰোক্ষ ভাৱে থকা অৰ্থ বুজি পোৱা (Inferencing)
- সাৰাংশ বা পাঠৰ সম্পূৰ্ণ অৰ্থ বুজি পোৱা (Summarizing)

### পঠন বোধগম্যতাৰ তিনিটা স্তৰ হৈছে —

- আক্ষৰিক পঠন বোধগম্যতা (Literal comprehension)— তালিকা, শব্দ অৰ্থ, উপায়, ঘটনা, তথ্য আদি উলিয়াব পৰা দক্ষতা
- কোনো এটা দফাত থকা পৰোক্ষ অৰ্থ পঢ়ি বুজি পাব পৰা দক্ষতা (Inferential comprehension)
- কোনো এটা ঘটনাক পৰ্যবেক্ষণ কৰি বিশ্লেষণ কৰিব পৰা দক্ষতা (Evaluation comprehension)

**পঠন বোধগম্যতা আহৰণ কৰোৱাৰ মুখ্য তিনিটা স্তৰ হৈছে —**

**প্ৰাক্-পঠন ঃ** পাঠকে পঢ়িবলগীয়া বিষয়বস্তুৰ সন্দৰ্ভত আগতীয়াকৈ অনুমান কৰি ক'ব পাৰিব।

**পঠন ঃ** এই পৰ্যায়ত পাঠক মূল পাঠৰ লগত জড়িত হয়। পূৰ্বে অনুমান কৰা পঠনৰ সৈতে মূল পাঠ পঢ়ি পাঠৰ বিষয়বস্তু বুজি পায়।

**উত্তৰ পঠন ঃ** এই পৰ্যায়ত পাঠকে মূল পাঠ পঢ়ি পাঠৰ আলোচনা, পৰ্যালোচনা আৰু বিশ্লেষণ কৰে।


প্ৰাক্ প্ৰাথমিক পৰ্যায়ৰ শিশুৰ বাবে ছবি পঠন (Picture reading) অতি গুৰুত্বপূৰ্ণ। যেতিয়া শিশুক ছবি এখন চাই ছবিৰ লগত জড়িত প্ৰশ্ন সোধা হয় (যেনে - ছবিখনত কি কি দেখিছে, কোনে কি কৰি আছে, তুমি তেনেকুৱা কামবোৰ কৰা নে আদি) তেতিয়া মৌখিক ভাষাৰ বিকাশৰ লগতে পঠন দক্ষতা আহৰণৰ কিছুমান কৌশলো আহৰণ কৰোৱা হয়। যেনে - সূক্ষ্মভাৱে চিত্ৰত থকা তথ্য বিচাৰি উলিয়াব পৰা, অত্যধিক তথ্য কম সময়তে নিৰীক্ষণ কৰিব পৰা, ছবিৰ মূল ধাৰণা বুজি পোৱা, নিৰ্দিষ্ট তথ্য বিচাৰি উলিয়াব পৰা আদি।

## ছবি পঠনৰ ক্ৰিয়াকলাপ ঃ

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দিষ্ট ঠাইত আসন গ্ৰহণ কৰোৱাৰ পাছতে তলত দিয়া প্ৰশ্নকেইটাৰ অৱতাৰণা কৰিব

ক) তোমালোকে খেল খেলি ভালপোৱা নে? খ) তোমালোকে কি কি খেল খেলি ভাল পোৱা? গ) তোমালোকে কাৰ লগত খেলি ভালপোৱা? ঘ) তোমালোকে ক'ত খেলি বেছি ভালপোৱা? এই কথোপকথনত সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে অংশগ্ৰহণ কৰে শিক্ষকে নিশ্চিত কৰিব।

- শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ২/৩ জনীয়া দলত ভগাই ল'ব।
- শিক্ষকে তলত ছবিখন (পৃষ্ঠা নং- ১২, ১৩ 'ঝংকাৰ' প্ৰথম ভাগ)।
- ছাত্ৰ-ছাত্ৰীসকলক ছবিখন চাই ছবিখনৰ বিষয়ে কথা পাতিবলৈ দিব।
- দলীয় কথোপকথনৰ সময়ত প্ৰতিটো দলৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব।
- কথোপকথন আগবঢ়াই নিবৰ বাবে শিক্ষকে প্ৰতিটো দলৰ কাষ চাপি তলত দিয়া প্ৰশ্নসমূহ কৰিব- ছবিখন দেখুৱাই সমূহীয়াভাৱে আৰু দলগতভাৱে কথোপকথন বা আলোচনাৰ বাবে পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্নসমূহৰ অৱতাৰণা কৰিব। যেনে- ক) 'ছবিখনত কি কি খেল দেখিছা?' খ) 'এই খেলবোৰ কোনে ক'ত খেলি আছে?' গ) 'বলটো লৈ গৈ থকা ল'ৰাজনে গ'ল দিব পাৰিবনে?' ঘ) 'দৌৰি থকা ল'ৰা-ছোৱালীবোৰৰ কোন কোন প্ৰথম, দ্বিতীয় আৰু তৃতীয় হ'ব?' ঙ) 'কি খেল খেলি তোমালোকে বেছি ভাল পোৱা'? 'সেই খেলবোৰ খেলোঁতে কিবা নিয়ম মানি চলা নেকি?'। শিকাৰুক প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ উৎসাহিত কৰিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।



- শিক্ষকে প্ৰতিটো দলৰ পৰা একো একোজন ছাত্ৰ বা ছাত্ৰীক ছবিখনত কি কি খেল দেখিলে, ছবিখন চাই ভাল লাগিছেনে, ছবিখনত খেলা খেলবোৰ তেওঁলোকে খেলেনে আদি বিষয়ে ক'বলৈ দিব।

**পঠনৰ ক্ৰিয়াকলাপ ঃ** শিক্ষকে পৰিকল্পনাৰ বাবে ৪ৰ্থ শ্ৰেণীৰ 'লঘোণ' নামৰ পদ্যটো পঠন বোধগম্যতাৰ বাবে বাছি ল'ব।

**শিকন ফলাফল ঃ** ১) দফাত থকা নিৰ্ধাৰিত প্ৰশ্নৰ উত্তৰ বাছি উলিয়াব পাৰিব। (Locate details)
২)অপৰিচিত/পৰিচিত পাঠ পঢ়ি মূল ধাৰণা কৰিব পাৰিব। (Main idea)
৩)যিকোনো প্ৰকাৰৰ পাঠৰ পৰা প্ৰত্যক্ষ, পৰোক্ষ অৰ্থ বাছি উলিয়াব।(Infer meaning)
৪)কোনো এটা পাঠৰ পূৰ্বে অনুমান কৰিব পাৰিব আৰু পঠনৰ সময়ত অনুমেয় বিষয়ৰ সৈতে মিলাব পাৰিব আৰু উত্তৰ পঠনৰ সময়ত প্ৰশ্নৰ যথাযথ উত্তৰ দিব পাৰিব।

শিক্ষকে পদ্যটোৰ লগত সংগতি থকা কেইটিমান সৰল প্ৰশ্নৰ অৱতাৰণা কৰিব। এই কাৰ্যই অংশগ্ৰহণকাৰীসকলৰ পূৰ্বজ্ঞান অনুমান কৰাত সহায় হ'ব। তদুপৰি শিক্ষাৰ্থী/অংশগ্ৰহণকাৰীসকলৰ জিজ্ঞাসা/কৌতূহল বৃদ্ধি পাব।
শিক্ষকে তলত দিয়া প্ৰশ্ন কেইটা সুধিব
১। তোমালোকে কেতিয়াবা ভোকত থাকি বা একো নোখোৱাকৈ থাকি পাইছেনে?
২। উপবাসে থকাৰ পাছত কিদৰে উপবাস ভঙা হয়?
৩। কোনবোৰ খাদ্যই উপবাসে থকাত কষ্ট দিয়ে?

- শিক্ষকে সকলো ছাত্ৰ-ছাত্ৰীকে পাঠ্যপুথিত থকা 'লঘোন' পদ্যটো উলিয়াই ল'বলৈ দিব।
- উপযুক্ত সুৰ, লয়, বিৰাম আৰু প্ৰকাশভংগীৰে পদ্যটি স্পষ্টভাৱে পঢ়ি/আবৃত্তি শুনাব আৰু পঢ়াৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিটো শব্দ মন কৰিবলৈ ক'ব।
- শিক্ষকে দ্বিতীয়বাৰ পদ্যটি আবৃত্তি কৰি শুনাব।
- তাৰ পাছত শিক্ষকে পদ্যটিৰ মূলভাৱ/সাৰাংশ আলোচনা কৰিব। আলোচনা কালত প্ৰতি চাৰি শাৰীৰ অৰ্থ স্পষ্ট কৰিব। কিছুমান শব্দৰ বাক্যাংশৰ তালিকা যেনে —আধা সেৰু, গাখীৰৰ সৰ, খেজুৰৰ গুৰ, জলপান, আঙঠা সেক, পালোৱান আদিৰ অৰ্থ বিশেষভাৱে স্পষ্ট কৰিব।
- প্ৰতি চাৰিশাৰীৰ আলোচনা কৰোতে অৰ্থ স্পষ্ট কৰাৰ লগতে নিৰ্দিষ্ট প্ৰশ্নও কৰিব আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা সম্ভাব্য উত্তৰ বিচাৰিব। যেনে— প্ৰথম চাৰি শাৰীত শিক্ষকে সুধিব—
  (ক) কবিয়ে আজি একো নাখাওঁ বুলি কিয় কৈছে?
  (খ) ভোক নাই যদিও তেওঁ কি খাবলৈ বিচাৰিছে?
  সম্পূৰ্ণ পদ্যটোৰ আলোচনাৰ অন্তত শিক্ষকে প্ৰশ্নসমূহৰ সন্দৰ্ভত আলোচনা কৰিব।
  (ক) কবিয়ে কি কি খাদ্য খাব বিচাৰিছে? (খ) লঘোন মানে কি?
  (গ) কবিয়ে আচলতে লঘোন দিব বিচাৰিছেনে? (ঘ) কবিৰ আচলতে ভোক লাগিছেনে?

- পদ্যটি পুনৰ কেইজনমান ছাত্ৰ-ছাত্ৰীক স্পষ্টকৈ পঢ়িবলৈ দিব। কোনো শব্দ সঠিকভাৱে উচ্চাৰণ কৰিব নোৱাৰিলে সহায় কৰিব আৰু তলত দিয়া প্ৰশ্নসমূহ সুধিব।
  (ক) দৈৰ সলনি কবিয়ে কি বিচাৰিছে? (খ) আঙঠাত কি সেকি দিয়াৰ কথা কৈছে?
  (গ) পদ্যটিত কি কি কলৰ নাম আছে? (ঘ) কবিয়ে খাব বিচাৰা জলপানবিধত কি কি আছে?
  (ঙ) "খেজুৰৰ গুৰ নেকি?
  লৈ আহ এইফালে।"—কবিয়ে খেজুৰৰ গুৰ ক'লৈ লৈ অহাৰ কথা কৈছে?
  (চ) "একোকে নেখাওঁ আজি
  একেবাৰে ভোক নাই। — কবিয়ে কোৱা কথাষাৰ সঁচা নে? যদি নহয় কিয়?

## পঠন বোধগম্যতাৰ মূল্যায়নৰ ক্ৰিয়াকলাপ ঃ

গুণোৎসৱ ২০২৪ ৰ (তৃতীয় শ্ৰেণী)ৰ পৰা ক্ৰিয়াকলাপ লোৱা হৈছে।

# বিদ্যালয়ৰ পুথিভঁৰাল

জোনালী, ৰচিদ, তপন আৰু মিনতিয়ে তৃতীয় শ্ৰেণীত পঢ়ে। সিহঁতৰ বিদ্যালয়খনৰ নাম মদাৰগুৰি প্ৰাথমিক বিদ্যালয়। বিদ্যালয়খনত এটা ডাঙৰ পুথিভঁৰাল আছে। পুথিভঁৰালটোত নানা ধৰণৰ কিতাপ-পত্ৰ আছে। প্ৰধান শিক্ষক বলিন ফুকন ছাৰে পুথিভঁৰালটো বৰ ধুনীয়াকৈ সজাইছে। বিদ্যালয়খনৰ শিক্ষক লক্ষীধৰ শইকীয়া ছাৰে পুথিভঁৰালটো চোৱা-চিতা কৰে। ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰপৰা এখনকৈ কিতাপ এসপ্তাহৰ বাবে ঘৰলৈ নি পঢ়িব পাৰে। লক্ষীধৰ ছাৰে প্ৰতি শুকুৰবাৰে কিতাপবোৰ দিয়ে। পিছৰ বৃহস্পতিবাৰে ঘূৰাই লয়। জোনালীয়ে প্ৰায়ে সাধুকথাৰ কিতাপবোৰ নি ঘৰত পঢ়ে। ৰচিদে আকৌ সঁফুৰা, মৌচাক, ৰংমন আদি শিশু আলোচনীবোৰ পঢ়িহে ভাল পায়। মিনতিৰ কবিতাৰ কিতাপহে বেছি প্ৰিয়। তপনে সৰু সৰু কাহিনীৰ কিতাপবোৰ বেছিকৈ পঢ়ে। প্ৰতি বুধবাৰে তৃতীয় শ্ৰেণীৰ ৰুটিনত এটা পুথিভঁৰালৰ শ্ৰেণীও থাকে। শিক্ষয়িত্ৰী চালেমা বেগম বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলক পুথিভঁৰাললৈ নি সিহঁতৰ উপযোগী কিতাপবোৰৰ বিষয়ে কয়। বিদ্যালয়খনত প্ৰতি শনিবাৰে শনিবৰীয়া চ'ৰা অনুষ্ঠিত হয়। এই চ'ৰাত ছাত্ৰ-ছাত্ৰীয়ে পঢ়া কিতাপবোৰৰ বিষয়ে আলোচনা হয়। সকলো ছাত্ৰ-ছাত্ৰীয়ে আলোচনাত ভাগ লয়। শেৱালি বৰা বাইদেৱে এই অনুষ্ঠানটো পৰিচালনা কৰে বিদ্যালয়খনৰ পুথিভঁৰালটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পঠন অভ্যাস গঢ়ি তুলিছে।

ওপৰত দিয়া পাঠটো পঢ়ি তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া—

১। বিদ্যালয়খনৰ পুথিভঁৰালটো কোনে চোৱা-চিতা কৰে?

ক) বলিন ফুকন ছাৰে খ) লক্ষীধৰ শইকীয়া ছাৰে

গ) চালেমা বেগম বাইদেৱে গ) শেৱালি বৰা বাইদেৱে

২। তৃতীয় শ্ৰেণীৰ ৰুটিনত পুথিভঁৰালৰ শ্ৰেণী কি বাৰে থাকে?

ক) বুধবাৰে খ) শুকুৰবাৰে গ) শনিবাৰে ঘ) বৃহস্পতিবাৰে

৩। কবিতাৰ কিতাপ কাৰ বেছি প্ৰিয়?

ক) ৰচিদৰ খ) জোনালীৰ গ) মিনতিৰ ঘ) তপনৰ

৪। জোনালীয়ে পুথিভঁৰালৰপৰা ঘৰলৈ কি কিতাপ নি পঢ়ে?

ক) কবিতাৰ কিতাপ খ) কাহিনীৰ কিতাপ

গ) সাধুকথাৰ কিতাপ ঘ) শিশু আলোচনী

## পঠন বোধগম্যতাৰ মূল্যায়নৰ ক্ৰিয়াকলাপ ঃ

গুণোৎসৱ ২০২৪ ৰ (চতুৰ্থশ্ৰেণী)ৰ পৰা ক্ৰিয়াকলাপ লোৱা হৈছে।

# ঐতিহাসিক নগৰ তেজপুৰ

তেজপুৰ শোণিতপুৰ জিলাৰ সদৰ ঠাই। সাহিত্য, কলা আৰু প্ৰাকৃতিক সৌন্দৰ্য্যৰ ফালৰপৰা তেজপুৰ মনোমোহা নগৰ। ইয়াত বহুতো ধুনীয়া ঠাই আৰু পুৰণি মঠ-মন্দিৰ আছে। তেজপুৰত মহাভৈৰৱ মন্দিৰ, অগ্নিগড়, চিত্ৰলেখা উদ্যান, জিলা সংগ্ৰহালয়, কলীয়াভোমোৰা সেঁতু, নাগশংকৰ মন্দিৰ আদি আছে। মহাভৈৰৱ তেজপুৰ নগৰৰ উত্তৰে এটা সৰু টিলাত আছে। নাগশংকৰ মন্দিৰটো তেজপুৰৰ দক্ষিণত অৱস্থিত। মন্দিৰটোৰ চৌহদত এটা ডাঙৰ জলাশয় আছে। ব'হাগৰ গোসাঁই বিহুৰ দিনা ইয়াত মেলা অনুষ্ঠিত হয়। অগ্নিগড় অসমৰ এখন পৌৰাণিক ঠাই। ই ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অৱস্থিত। বাণ ৰজাই কন্যা ঊষাক সুৰক্ষিত কৰি ৰাখিবলৈ এই গড়টো নিৰ্মাণ কৰিছিল। ইয়াৰ সৈতে ঊষা আৰু অনিৰুদ্ধৰ যুগল মূৰ্তি সজোৱা আছে। এই উদ্যানত থকা পুখুৰীত নাও চলাবও পাৰি। জিলা সংগ্ৰহালয়টো তেজপুৰৰ পশ্চিমত আছে। ইয়াত অসমৰ বহুতো পুৰণি ভাস্কৰ্য আৰু সাঁচিপাতৰ পুথি আদি ৰখা হৈছে। কলীয়াভোমোৰা সেঁতু ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নিৰ্মাণ কৰা অসমৰ দ্বিতীয়খন দলং। ই শোণিতপুৰ আৰু নগাঁও জিলাক সংযোগ কৰিছে।

ওপৰত দিয়া পাঠটো পঢ়ি তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া—

১। মহাভৈৰৱ মন্দিৰটো তেজপুৰ নগৰৰ কোনটো দিশত অৱস্থিত?

ক) উত্তৰ দিশত　　খ) পূব দিশত

গ) পশ্চিম দিশত　　ঘ) দক্ষিণ দিশত

২। ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নিৰ্মাণ কৰা অসমৰ দ্বিতীয় দলংখনৰ নাম কি?

ক) নাগশংকৰ　খ) চিত্ৰলেখা　গ) মহাভৈৰৱ　ঘ) কলীয়াভোমোৰা

৩। "ইয়াত ঊষা-অনিৰুদ্ধৰ যুগল মূৰ্তি সজোৱা আছে।"— বাক্যটোত 'ইয়াত' শব্দটোৰদ্বাৰা কোন ঠাইৰ কথা কোৱা হৈছে?

ক) নাগশংকৰ মন্দিৰক　　খ) মহাভৈৰৱ মন্দিৰক

গ) চিত্ৰলেখা উদ্যানক　　গ) জিলা সংগ্ৰহালয়ক

## পঠন বোধগম্যতাৰ মূল্যায়নৰ ক্রিয়াকলাপ ঃ

গুণোৎসৱ ২০২৪ ৰ (পঞ্চমশ্রেণী)ৰ পৰা ক্রিয়াকলাপ লোৱা হৈছে।

# ব্রহ্মপুত্র নদী

গংগা, যমুনা, সিন্ধু, ব্রহ্মপুত্র আদি ভাৰতৰ প্রধান নদী। ইয়াৰে ভিতৰত ব্রহ্মপুত্র হৈছে অসমৰ মুখ্য নদী। ই অসমৰ পূব দিশৰ শদিয়াৰ পৰা পশ্চিম দিশৰ ধুবুৰীলৈকে বৈ গৈছে। ব্রহ্মপুত্র নদী হিমালয় পৰ্বতৰ পৰা ওলাইছে। ই অৰুণাচল প্রদেশৰ মাজেৰে আহি অসমত প্ৰৱেশ কৰি বঙ্গোপসাগৰত পৰিছেগৈ। অসমত ইয়াক বৰলুইত নামেৰেও জনা যায়। দিচাং, দিখৌ, ভোগদৈ, ধনশিৰি, সোৱণশিৰি, মানাহ আদি ব্রহ্মপুত্রৰ উপনৈ। শৰাইঘাট, কলীয়াভোমোৰা, বগীবিল, ধলা-শদিয়া, নৰনাৰায়ণ সেতুঁ আদি ব্রহ্মপুত্রৰ ওপৰত থকা দলং। ব্রহ্মপুত্রৰ ওপৰত বহুকেইখন দলং নির্মাণ কৰি থকা হৈছে। এই দলংসমূহে অসমৰ যোগাযোগ ব্যৱস্থা সুচল কৰিছে। ব্রহ্মপুত্রৰ বুকুয়েদি জলপৰিবহণৰ ব্যৱস্থাও আছে। ডিব্রুগড়, ধেমাজি, তেজপুৰ, গুৱাহাটী, ধুবুৰী আদি নগৰসমূহ এই নদীৰ পাৰতে গঢ় লৈ উঠিছে। পৃথিৱীৰ বৃহত্তম নদীদ্বীপ মাজুলী ব্রহ্মপুত্রৰে সৃষ্টি। উমানন্দ ব্রহ্মপুত্রৰ মাজত থকা এখন তীর্থক্ষেত্র। ই পৃথিৱীৰ ক্ষুদ্রতম নদীদ্বীপ। অসমৰ সভ্যতা লুইতপৰীয়া সভ্যতা। ব্রহ্মপুত্র নদীয়ে এই সভ্যতা গঢ় লোৱাত মুখ্য ভূমিকা গ্রহণ কৰিছে। ব্রহ্মপুত্র অসমীয়া জাতিৰ প্ৰাণস্বৰূপ।

**ওপৰত দিয়া পাঠটো পঢ়ি তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়া—**

১। অসমৰ প্রধান নদীখনৰ নাম কি?

ক) গংগা খ) ব্রহ্মপুত্র গ) যমুনা ঘ) সিন্ধু

২। পৃথিৱীৰ বৃহত্তম নদীদ্বীপটোৰ নাম কি?

ক) উমানন্দ খ) ভোগদৈ গ) মাজুলী ঘ) মানাহ

৩। অসমৰ সভ্যতাক লুইতপৰীয়া সভ্যতা বুলি কিয় কোৱা হয়?

ক) ব্রহ্মপুত্রই অসমৰ সভ্যতা গঢ়াত মুখ্য ভূমিকা লৈছে বাবে

খ) ব্রহ্মপুত্র হিমালয় পৰ্বতৰপৰা ওলাইছে বাবে

গ) ব্রহ্মপুত্রৰ ওপৰত বহুকেইখন দলং নির্মাণ কৰা বাবে

ঘ) ব্রহ্মপুত্রৰ বহুতো উপনৈ থকাৰ বাবে

## পঠনৰ মান নিৰূপণৰ বাবে তলত দিয়া মাপকাঠি আৰু মূল্যায়নৰ দিশসমূহ মনত ৰাখিব

| পৰ্যায়-১ | পৰ্যায়-২ | পৰ্যায়-৩ |
|---|---|---|
| পাঠৰ তথ্যভিত্তিক প্ৰশ্ন উত্তৰ দিব পাৰিব। | পাঠৰ তথ্যভিত্তিক প্ৰশ্ন, মূল ধাৰণা লগত জড়িত প্ৰশ্ন, প্ৰত্যক্ষ বা পৰোক্ষ অৰ্থৰ লগত সম্পৰ্কিত প্ৰশ্নৰ উত্তৰ দিব পাৰিব। | পাঠৰ তথ্যভিত্তিক প্ৰশ্ন, মূল ধাৰণা লগত জড়িত প্ৰশ্ন, প্ৰত্যক্ষ বা পৰোক্ষ অৰ্থৰ লগত সম্পৰ্কিত প্ৰশ্নৰ উত্তৰ দিব পৰাৰ লগতে তথ্যসমূহ বিশ্লেষণ কৰি দৈনন্দিন জীৱনৰ লগত জড়িত কৰিব পাৰিব। |

## পঠনৰ পাঠ পৰিকল্পনাৰ সময়ত মনত ৰাখিবলগীয়া দিশসমূহ

| ক্ৰমিক নং | মনত ৰাখিবলগীয়া দিশসমূহ | হৈছে | হোৱা নাই |
|---|---|---|---|
| ১ | শিকন উদ্দেশ্য স্পষ্ট হৈছেনে? | | |
| ২ | প্ৰাক্ পঠনৰ সময়ত নিৰ্দিষ্ট বিষয় (Topic/Theme) ৰ উপযুক্ত অভিৰোচন বা উপস্থাপন হৈছেনে? | | |
| ৩ | অভিৰোচনত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছেনে? | | |
| ৪ | পঠন আৰু উত্তৰ পঠনৰ সময়ত তলত দিয়া সকলো বিধৰ প্ৰশ্নৰ অৱতাৰণা কৰা হৈছে নে?<br>(ক) মূল ধাৰণাৰ লগত জড়িত প্ৰশ্ন<br>(খ) অপৰিচিত শব্দৰ অৰ্থ<br>(গ) বাক্যৰ প্ৰত্যক্ষ বা পৰোক্ষ অৰ্থ<br>(ঘ) তথ্যভিত্তিক | | |
| ৫ | আলোচনাৰ সময়ত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছেনে? | | |
| ৬ | উত্তৰ পঠনৰ সময়ত ক্ৰমিক নম্বৰ ৪ত উল্লেখ কৰা সকলো দিশত প্ৰশ্নৰ অৱতাৰণা কৰা হৈছেনে? | | |

## ক্ষেত্র ঃ

# লিখন

## লিখন

(ক) লিখন মানে আপোনালোকে কি বুজে?

(খ) প্ৰাথমিক পৰ্যায়ত লিখন মানে আপুনি কি বুজি পায়?

(গ) লিখনৰ গুৰুত্ব কি?

লিখন বুলিলে কেৱল বৰ্ণ/চিহ্নৰ লিখন নহয় লিখন হৈছে লিখকৰ ব্যক্তিগত অনুভৱ আৰু চিন্তা তথা ভাব প্ৰকাশৰ এক মাধ্যম, য'ত শব্দৰ মাজত থকা সম্পৰ্ক বুজি সঠিক বিষয়ে বিৰাম চিহ্ন প্ৰয়োগ কৰি বাক্য গঠন কৰা হয় আৰু ক্ৰম অনুসৰি লিখা হয়। লিখন হৈছে পাঠকক উদ্দেশ্য কৰি লিখা এক দীৰ্ঘদিনীয়া প্ৰক্ৰিয়া।




### লিখাৰ বাবে প্ৰয়োজনীয় দক্ষতাক দুটা গোটত ৰাখিব পাৰি ঃ

**প্ৰাৰম্ভিক লিখন ঃ** লিপি আৰু শব্দৰ মাজৰ সম্পৰ্ক বুজা, সঠিক বাক্য গঠন কৰা আৰু সঠিক বিৰাম চিহ্নৰ ব্যৱহাৰ আদি ইয়াৰ অন্তৰ্গত।

**উচ্চস্তৰীয় লিখন ঃ** কি লিখিব সেই বিষয়ে চিন্তা কৰা, তৰ্ক কৰোতে সঠিক ক্ৰমত লিখা আৰু সৃজনশীল হোৱা আদি ইয়াৰ অন্তৰ্গত।

শিশুসকলক প্ৰাৰম্ভিক আৰু উচ্চস্তৰীয় লিখন, দুয়োটাৰে অনুশীলন কৰাব লাগে। প্ৰাৰম্ভিক লিখন, পাঠোদ্ধাৰৰ ক্ৰিয়া-কলাপৰ লগত আৰু আৰু উচ্চস্তৰীয় লিখন মৌখিক ভাষাৰ বিকাশৰ ক্ৰিয়া-কলাপৰ লগত জড়িত থাকে।

লিখন কৌশল আয়ত্বৰ লগত শিশুৰ মৌখিক ভাষাৰ বিকাশ আৰু পাঠোদ্ধাৰ জড়িত হৈ থাকে। প্ৰথমতে, মনৰ ভাব লিখনৰ জৰিয়তে প্ৰকাশ কৰিবলৈ বিভিন্ন দিশত মনৰ ভাবৰ সৃষ্টি হোৱা আৰু মৌখিক ৰূপত সেই ভাব আদান-প্ৰদান হোৱাটো দৰকাৰী। দ্বিতীয়তে, মনৰ ভাব প্ৰকাশৰ বাবে নিৰ্দিষ্ট চিহ্ন অৰ্থাৎ বৰ্ণসমূহ চিনি পোৱা লিখিব পৰা শব্দ, বাক্য গঠন কৰিব পৰা আদি কৌশল প্ৰাৰম্ভিক পৰ্যায়ত জড়িত হৈ থাকে।

## মৌখিক ভাষাৰ লগত জড়িত লিখনৰ ক্ৰিয়া-কলাপ ঃ

### চিত্ৰ অংকন ঃ

- মৌখিক ক্ৰিয়া-কলাপৰ পাছত শিশুসকলক চিত্ৰ আঁকিবলৈ দিব, ৰং কৰিবলৈ দিব আৰু নাম লিখিবলৈ দিব।
- অংকিত চিত্ৰৰ বিষয়ে কিছুমান অন্য শব্দ/বাক্য লিখিবলৈ দিব।
- অংকিত চিত্ৰৰ বিষয়ে শ্ৰেণীকোঠাত শিশু সকলৰ লগত আলোচনা কৰিব।

### স্বতন্ত্ৰ লিখন ঃ

- শিশু সকলক কোনো চিত্ৰ/কাহিনী বা যিকোনো অভিজ্ঞতাৰ বিষয়ে নিজৰ ভাষাত লিখিবলৈ কিছু সময় দিব।
- লিখাৰ পাছত তেওঁলোকক নিজৰ লিখাখিনিৰ বিষয়ে পঢ়িবলৈ ক'ব আৰু ইয়াৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিশুসকলৰ লিখাখিনি শ্ৰেণীকোঠাত প্ৰদৰ্শন কৰিব আৰু এটা নিৰ্দিষ্ট সময়ৰ বিৰতিৰ পাছত সেইবোৰ আলোচনা কৰি সলনি আৰু সংশোধন কৰি গৈ থাকিব।

### মন কৰিবলগীয়া কথা ঃ

লিখনৰ সময়ত শিশুসকলক নিজৰ ইচ্ছানুসৰি লিখিব দিব। তেওঁলোকে ভালকৈ লিখিব নোৱাৰিবও পাৰে, কেৱল আঁক্‌বাঁক্, আকৃতি বা বৰ্ণৰ দৰে কিবা লিখি থ'ব পাৰে। আপুনি শিশুসকলৰ লগত সেইবোৰ চাব, পঢ়িব আৰু তেওঁলোকক উৎসাহিত কৰি যাব।

## বৰ্ণ আৰু শব্দ লিখনৰ লগত পৰিচিতি

- শিক্ষকে যিকোনো বিশেষ ধ্বনিৰ দ্বাৰা আৰম্ভ হোৱা (যেনে- মৰম, শব্দটোত 'ম') যিকোনো (শিশুৰ ঘৰুৱা ভাষাত ব্যৱহাৰ হোৱা শব্দ হলেও হ'ব) শব্দ ক'ব। তাৰপাছত শব্দটোৰ প্ৰথম ধ্বনিটো স্পষ্টকৈ ক'ব। তাৰপাছত আৰু তিনি-চাৰিটা সেই একে ধ্বনিৰে আৰম্ভ হোৱা শিশুৰ চিনাকি শব্দ ক'ব (যেনে-মকৰা, মটৰ, মলম, মম ইত্যাদি)। শিশুৰ মনোযোগ 'ম' ধ্বনিটোৰ প্ৰতি নিবদ্ধ কৰিব।
- তাৰপাছত শিক্ষকে আৰু কেইটামান বেলেগ শব্দ ক'ব। তাৰ মাজতে সেই বিশেষ ধ্বনিৰে আৰম্ভ হোৱা শব্দও থাকিব। যদি শব্দকেইটাৰ মাজত সেই বিশেষ ধ্বনিৰ 'ম' ৰে আৰম্ভ হোৱা শব্দ থাকে, তেনেহ'লে শিশুক হাত দাঙিবলৈ ক'ব।
- এতিয়া শিক্ষকে সেই ধ্বনিৰে আৰম্ভ হোৱা শব্দ ক'বলৈ শিশুসকলক কব (এই শব্দবোৰৰ মাজত শিশুৰ ঘৰুৱা ভাষাৰ শব্দ থাকিলেও শিক্ষকে তেওঁলোকক ক'বলৈ উৎসাহিত কৰিব)।

ধৰি লওক 'ম' বৰ্ণটোৰ সৈতে চিনাকি হৈ ধ্বনিটো ক'ব আৰু লিখিব লাগে।

## প্ৰস্তুতি আৰু সামগ্ৰী ঃ

- সামগ্ৰী - বোৰ্ড, চ'ক, বৰ্ণকাৰ্ড, পাঠ্য পুথি আৰু কাৰ্যপত্ৰ
- শিক্ষকে আগতীয়াকৈ বৰ্ণকাৰ্ড বাচি ৰাখিব।
- 'ম' বৰ্ণৰে আৰম্ভ হোৱা সৰল আৰু শিশুৰ চিনাকি শব্দৰ এখন তালিকা প্ৰস্তুত কৰিব।

## শিক্ষকৰ বাবে মনত ৰাখিব লগীয়া কেইটামান দিশ ঃ

- বৰ্ণ শিকাৰ অৰ্থ হল বৰ্ণৰ আকৃতিৰ লগত ধ্বনি মিলোৱা, বৰ্ণটোৰ আকৃতিটো চাই বৰ্ণৰ ধ্বনি ক'ব পৰা আৰু লিখিব পৰা।

## প্ৰক্ৰিয়া ঃ

- শিশুক বৃত্তাকাৰে বহুৱাব আৰু শিক্ষকেও তেওঁলোকৰ লগত বহিব।
- শিশুসকলৰ মাজত চিনাকি শব্দ এটা লৈ শিক্ষকে সেই শব্দটো প্ৰথমে কৈ পাছত ধ্বনিবোৰ এটা এটাকৈ ভাঙি ক'ব। যেনে- মৰম (ম-ৰ-ম)। শিক্ষকে 'মৰম' শব্দটোৰ পৰা 'ম' ধ্বনিটো, শিশুসকলক চিনাক্ত কৰিবলৈ ক'ব। একে পদ্ধতিৰে তেওঁ শিশুসকলৰ চিনাকি আৰু একে ধ্বনিৰে আৰম্ভ হোৱা আন কেইটামান (তিনি-চাৰিটা) শব্দ ক'ব আৰু 'ম' ধ্বনিটো চিনাক্ত কৰিবলৈ দিব।
- 'মকৰা' শব্দটো বোৰ্ডত লিখিব আৰু প্ৰথম ধ্বনি 'ম'ত গোল চিন দিব। লগতে তেওঁ 'ম'ৰ উচ্চাৰণ কৰি শিশুসকলক শুনাব।
- তাৰ পাছত তেওঁ শিশুসকলক 'ম' থকা বৰ্ণৰ কাৰ্ড দেখুৱাব আৰু ৩/৪ বাৰ 'ম'ৰ উচ্চাৰণ কৰি দেখুৱাব। তাৰ পাছত শিশুসকলক 'ম' ৰে আৰম্ভ হোৱা শব্দ কবলৈ ক'ব আৰু শিশুসকলৰ সঁহাৰিবোৰ বোৰ্ডত লিখি যাব, যেনে- মনোজ, মটৰ, মহ, মহৰম ইত্যাদি। (শিশুৰ ঘৰুৱা ভাষাৰ শব্দবোৰো ইয়াত অন্তৰ্ভূক্ত হ'ব)। শিক্ষকে সকলো শিশুৰ লগতে শব্দবোৰ পঢ়িব আৰু প্ৰথম ধ্বনি 'ম'ত ঘেৰ চিন দি যাব।
- ইয়াৰ পাছত শিশুসকলক শ্ৰেণীকোঠা আৰু পাঠ্যপুথিত চকু ফুৰাই 'ম' বৰ্ণটো বিচাৰি উলিয়াবলৈ দিব। শিক্ষকে পাঠ্যপুথিত দেখাপোৱা 'ম' বৰ্ণটোত পেঞ্চিলেৰে গোল চিন দিবলৈও ক'ব পাৰে।
- শিক্ষকে পাঠোদ্ধাৰৰ খেল-ধেমালিৰ "এইটো মোৰ আখৰ" শীৰ্ষক ক্ৰিয়া-কলাপটো কৰোৱাব।
- শিক্ষকে পাঠোদ্ধাৰৰ খেল-ধেমালিৰ মাধ্যমেৰে 'ম' বৰ্ণটো শিশুসকলৰ সৈতে একেলগে লিখিব। যেনে, সকলো শিশুক বৃত্তাকাৰে থিয় কৰি শূণ্যত নাইবা পৰস্পৰৰ পিঠিত বা মজিয়াত 'ম' বৰ্ণটো লিখিবলৈ দিব।

## শিক্ষণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণঃ

- শিশুৱে 'ম' বৰ্ণটো চিনিবলৈ অসুবিধা পাইছে নেকি? যদি পাইছে ক্ৰিয়া-কলাপখিনি পুনৰ কৰোৱাব।
- শিশুৱে 'ম' বৰ্ণটো লিখিবলৈ অসুবিধা পাইছে নেকি, মূল্যায়ন কৰক। যদি পাইছে ক্ৰিয়া-কলাপখিনি পুনৰ কৰোৱাব।

### বৰ্ণ আৰু আখৰ লগ লগাই শব্দ গঠন আৰু পঠন

**প্ৰস্তুতি আৰু সামগ্ৰী ঃ**

- সামগ্ৰী- বৰ্ণ/আখৰ কাৰ্ড, কাৰ্যপত্ৰ, বৰ্ণ/আখৰ জাল, পাঠ্যপুথি
- শিক্ষকে শিকনীয় বৰ্ণ/আখৰ জাল আগতীয়াকৈ সাজু কৰি ৰাখিব।

**শিক্ষকৰ বাবে কেইটামান প্ৰধান দিশ ঃ**

- শিশুৱে অৰ্থ থকা বা অৰ্থহীন দুয়োপ্ৰকাৰৰ শব্দ গঠন কৰিব পাৰিব।
- শিক্ষকে ইতিমধ্যে শিকোৱা বৰ্ণ/আখৰবোৰ পুনৰাবৃত্তি কৰাব।

**প্ৰক্ৰিয়া ঃ**

- শিক্ষকে বোৰ্ডত ইতিমধ্যে শিকোৱা বৰ্ণ/আখৰ প্ৰয়োগ কৰি গঠন কৰা শব্দ এটা বাকচত ভাঙি উচ্চাৰণ কৰি কৰি লিখিব । যেনে- না ম
- ইয়াৰ পাছত শিক্ষকে ওপৰোক্ত বৰ্ণ/আখৰৰ দ্বাৰা গঠন হোৱা শব্দ একেলগে লিখিব না— ম নাম এনে কৰোতে দুয়োটা আখৰক বেলেগ বেলেগ কৈ উচ্চাৰণ কৰি পাছত একেলগে আকৌ উচ্চাৰণ কৰিব। এনেধৰণৰ শব্দটো তিনি-চাৰিবাৰকৈ উচ্চাৰণ কৰিব।
- ইতিমধ্যে শিকোৱা সকলো বৰ্ণ/আখৰ মিলাই অধিক শব্দ গঠন কৰিব আৰু প্ৰতিটো শব্দ ৩/৪ বাৰকৈ উচ্চাৰণ কৰিব। যেনে, কাম, দাম, লাম, পাম, ধাম ইত্যাদি।
- শিশুসকলক সৰু-সৰু দলত বিভক্ত কৰিব আৰু ইতিমধ্যে শিকোৱা বৰ্ণ/আখৰৰ কাৰ্ড বিলাই দিব আৰু নতুন শব্দ গঠন কৰিবলৈ দিব। ইয়াত অৰ্থহীন শব্দ আৰু শিশুৰ ঘৰুৱা ভাষাৰ শব্দও অন্তৰ্ভূক্ত কৰিব পাৰিব।

**শিক্ষণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ঃ**

- সকলো শিশুৱে বৰ্ণ/আখৰ লগ লগাই শব্দ গঠন কৰিবলৈ অসুবিধা পাইছে নেকি ? যদি পাইছে, তেনেহলে অতিৰিক্ত ক্ৰিয়া-কলাপ কৰাব।

### শব্দ/বাক্য গঠন আৰু পঠন

শিশুৱে বৰ্ণ বা আখৰ লিখিব পৰা হোৱাৰ পাছৰ পৰ্যায়টো হৈছে শব্দ বা বাক্য লিখন। শব্দ বা বাক্য লিখনৰ কেইটিমান মন কৰিবলগীয়া দিশ হৈছে—

- এটা শব্দ লিখোঁতে বৰ্ণ বা আখৰৰ মাজৰ দূৰত্ব সঠিক ৰখা
- প্ৰতিটো শব্দৰ মাজৰ দূৰত্ব সঠিক ৰখা
- আখৰৰ আকাৰ আৰু আকৃতি সঠিক ৰখা অৰ্থাৎ সুন্দৰ হাতৰ আখৰত গুৰুত্ব দিয়া
- আখৰৰ পাক সঠিক হোৱা
- বানান শুদ্ধ হোৱা
- বাক্যৰ গঠন শুদ্ধ হোৱা
- বিৰাম চিহ্নৰ সঠিক ব্যৱহাৰ।

### ক্ষেত্ৰ অধ্যয়ন (Case Study)

নিজৰা দেৱী যোৰহাট চহৰৰ গাঁৱৰ বিদ্যালয় এখনলৈ বদলি হৈ অহা শিক্ষয়িত্ৰী। তেখেতে বিদ্যালয়খনলৈ আহি প্ৰথমতেই দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰত্যেককে নিজৰ নিজৰ বিষয়ে

পাঁচ শাৰীকৈ বাক্য লিখিব দিলে। কিন্তু বেছি ভাগ ছাত্ৰ-ছাত্ৰীয়ে অকল নিজৰ নামটোৰ বাহিৰে একোকেই চিন্তা কৰি লিখিব নোৱাৰিলে। তেতিয়া নিজৰা বাইদেউৱে ৩/৪দিন সময় লৈ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ চিন্তা-চৰ্চাৰে পাঠ্যপুথিৰ বাহিৰেও অন্যান্য সমলেৰে কি কৰিলে সেই কথা তেওঁৰ পৰাই শুনো আহকচোন—

মই নিয়মিতভাৱে বাতৰি-কাকত, আলোচনী আদিত থকা ৰঙচঙীয়া ছবি, শিশু উপযোগী বিজ্ঞাপন (বিভিন্ন উৎসৱ, মেলা, দিৱস, গাঁও, জীৱ-জন্তু, পাৰ্ক) আদিৰ ছবি কাটি সংগ্ৰহ কৰি কাৰ্ড সজাই ললোঁ।

**প্ৰস্তুতি ঃ**

ছবি চাৰ্ট, চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল আদি ছাত্ৰ-ছাত্ৰীসকলক ৫/৬ জনীয়া দলত ভাগ কৰি প্ৰত্যেক দলকে একোখনকৈ ছবি দি কিছুসময়ৰ বাবে একেলগে দলত আলোচনা কৰিবলৈ দিলোঁ। প্ৰত্যেক দলৰ সদস্যসকলে দলত পোৱা ছবিখন নিৰীক্ষণ কৰি পাঁচটা বাক্য লিখিব। আটাইকেইটা দলে লিখি শেষ কৰাৰ পাছত তেওঁলোকে দলত কি কি লিখিলে সেইখিনি চালোঁ। দলৰ প্ৰত্যেকজন সদস্যই একোটাকৈ বাক্য কৈ গৈছিল আৰু মই শুদ্ধকৈ বোৰ্ডত লিখি গৈছিলোঁ। তেওঁলোকৰ প্ৰত্যেকৰে নিজৰ ভাগত পৰা ছবিখনৰ বিষয়ে লিখা কথাখিনিৰ ওপৰত ছবিখন আঁকি দিছিলোঁ। শেষত ছাত্ৰ-ছাত্ৰীসকলক নিজৰ নিজৰ বহীত বোৰ্ডত লিখা কথাখিনি লিখি ল'বলৈ দিছিলোঁ। এইদৰে প্ৰতিটো দলেই লিখাখিনি প্ৰতিজন সদস্যই পঢ়ি গৈছিল আৰু মই শুদ্ধকৈ লিখি গৈছিলোঁ। শেষত আটাইয়ে নিজৰ নিজৰ বহীত নিজৰ দলৰ ছবিখনৰ অনুসৰি কথাখিনি লিখিবলৈ সক্ষম হৈছিল।

'এইদৰে মই দলত ছাত্ৰ-ছাত্ৰীসকলক অংশীদাৰী লিখন কৰিবলৈ দিয়াৰ ফলত সিহঁতে ছবি চাই চিন্তা কৰি লিখিবলৈ সক্ষম হ'ল।'

**বিঃদ্ৰঃ** নিজৰা দেৱীয়ে শ্ৰেণীত কম দেখা ছাত্ৰগৰাকীৰ প্ৰতিও বিশেষ গুৰুত্ব দিছিল।

- নিজৰা দেৱীয়ে ছাত্ৰ-ছাত্ৰীসকলক অংশীদাৰী লিখনৰ দ্বাৰা লিখন অৰ্হতা আয়ত্ব কৰোৱাঁৰ বাহিৰেও আন কি উপায় অৱলম্বন কৰিব পাৰিলেহেঁতেন?
- ক্ৰিয়াকলাপটোত যে সকলো ছাত্ৰ-ছাত্ৰীয়ে সমানে অংশগ্ৰহণ কৰিছে সেইটো হ'ব পাৰেনে?
- নিজৰা দেৱীয়ে কৰা ক্ৰিয়াকলাপৰ বাবে সামগ্ৰী প্ৰস্তুত কৰোঁতে পাঠ্যপুথিৰ বাহিৰেও বাতৰি-কাকত, আলোচনী, বিজ্ঞাপনৰ সহায় কিয় লৈছিল?

## শ্ৰেণীকোঠাত লিখনৰ পৰিকল্পনাৰ আৰ্হি ঃ

**লিখনৰ ক্ৰিয়াকলাপ ঃ** শিক্ষকে পৰিকল্পনাৰ বাবে অংকুৰণ চতুৰ্থ ভাগৰ 'লঘোন' পাঠটি (পাঠ-৪) লিখনৰ বাবে বাছি ল'ব।

**শিকন ফলাফল ঃ** ১) চাই বা শুনি ৫/৬ টা বাক্য লিখিব পাৰিব।

২) চুটি দফা লিখিব পাৰিব।

শিক্ষকে পদ্যটোৰ লগত সংগতি থকা কেইটিমান সৰল প্ৰশ্নৰ অৱতাৰণা কৰিব। এই কাৰ্যই অংশগ্ৰহণকাৰীসকলৰ পূৰ্বজ্ঞান অনুমান কৰাত সহায় কৰিব। তদুপৰি শিক্ষাৰ্থী/অংশগ্ৰহণকাৰীসকলৰ জিজ্ঞাসা/কৌতূহল বৃদ্ধি পাব।

শিক্ষকে তলত দিয়া প্ৰশ্ন কেইটা সুধিব

১। তোমালোকে কি খাই ভালপোৱা?

২। তোমালোকে কেতিয়াবা লঘোন দি পাইছানে?

৩। লঘোন দিয়াৰ পাছত কেনেধৰণৰ খাদ্য খাব লাগে?

- শিক্ষকে পৃষ্ঠা নম্বৰ ৩৫ ত থকা ‘কোৱা আৰু লিখা’ ক্ৰিয়াকলাপটো কৰাব। প্ৰথমে ছবিখন দেখুৱাই তলৰ প্ৰশ্নটো সুধিব।
  “কি কি কল তুমি খোৱা আৰু কিয় খোৱা?”
  শিক্ষকে বোৰ্ডত কলৰ নাম লিখাৰ পাছত
  ‘কলগছ আমাক কি কামত লাগে’ আৰু ‘শিক্ষাৰ্থীসকলে কি কি ফল ভালপায়’ এই দুটা বিষয়ত আলোচনা আগবঢ়াব আৰু শিক্ষাৰ্থীসকলে মৌখিকভাৱে দিয়া উত্তৰখিনি নিজৰ নিজৰ বহীত লিখিবলৈ উৎসাহিত কৰিব।
- শিক্ষকে শিক্ষাৰ্থীসকলে যাতে সঠিকভাৱে লিখন কাৰ্য সম্পন্ন কৰিছে তাৰ প্ৰতি লক্ষ্য ৰাখিব।
- সঠিকভাৱে লিখন কাৰ্য সম্পন্ন হোৱাত শিক্ষকে সহায় কৰিব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ লিখনৰ ক্ষেত্ৰত হোৱা সমস্যা সমাধানৰ বাবে সহায় কৰিব।

- শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক পাঠভিত্তিক বিষয় নিজাববীয়াকৈ বাছি লিখিবলৈ উৎসাহিত কৰিব আৰু তেওঁলোকে কিমান শুদ্ধকৈ লিখিব পাৰিছে পৰীক্ষা কৰিবলৈ শিক্ষক/শিক্ষয়িত্ৰীয়ে কিছুমান প্ৰশ্ন কৰিব।

## লিখনৰ মান নিৰূপণৰ বাবে তলত দিয়া মাপকাঠি আৰু মূল্যায়নৰ দিশসমূহ মনত ৰাখিব (প্ৰাৰম্ভিক লিখনৰ বাবে)

| পৰ্যায়-১ | পৰ্যায়-২ | পৰ্যায়-৩ |
|---|---|---|
| শিক্ষকৰ সহায়ত আখৰযুক্ত শব্দ লিখিব পাৰিছে | ২/৩ টা আখৰযুক্ত শব্দ লিখিব পাৰিছে কিন্তু শিক্ষকৰ সহায়ৰ প্ৰয়োজন | নিজাববীয়াকৈ ২/৩ টা আখৰযুক্ত শব্দ লিখিব পাৰিছে। |

## দফা লিখন (স্বতন্ত্র)


| দিশ | পৰ্যায়-১ | পৰ্যায়-২ | পৰ্যায়-৩ |
|---|---|---|---|
| বিষয়বস্তু | দফাটো নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত লিখিছে | দফাটো নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত লিখিছে | দফাটো নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত লিখিছে |
| শব্দ চয়ন আৰু বানান | শব্দ চয়ন তথা বানানৰ ক্ষেত্ৰত শিক্ষকৰ সহায়তহে লিখিব পাৰিছে | শব্দ চয়ন তথা বানানৰ ক্ষেত্ৰত শিক্ষকৰ কিছু সহায়ৰ প্ৰয়োজন | শব্দ চয়ন তথা বানানৰ ক্ষেত্ৰত নিজাববীয়াকৈ সঠিকভাৱে শুদ্ধকৈ লিখিব পাৰিছে |
| বাক্য গাঁঠনি | বাক্য গাঁঠনি, যতি চিহ্নৰ ব্যৱহাৰ শিক্ষকৰ সহায়তে কৰিব পাৰিছে | বাক্য গাঁঠনি, যতি চিহ্নৰ ব্যৱহাৰৰ দিশত শিক্ষকৰ কিছু সহায়ৰ প্ৰয়োজন | নিজাববীয়াকৈ শুদ্ধ বাক্য গাঁঠনি আৰু যতি চিহ্ন ব্যৱহাৰ কৰিব পাৰিছে। |

## লিখনৰ পৰিকল্পনাৰ সময়ত মনত ৰাখিবলগীয়া দিশসমূহ

| ক্ৰমিক নং | মনত ৰাখিবলগীয়া দিশসমূহ | হৈছে | হোৱা নাই |
|---|---|---|---|
| ১ | শিকন উদ্দেশ্য স্পষ্ট হৈছেনে ? | | |
| ২ | লিখনৰ বিষয়বস্তু উপযুক্ত উপস্থাপন হৈছেনে ? | | |
| ৩ | অভিৰোচনত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছেনে ? | | |
| ৪ | বিষয়বস্তুৰ উপস্থাপন, শব্দচয়ন, বানান, বাক্য গাঠনি আদিৰ বিষয়ে সঠিক ৰূপত আলোচনা হৈছেনে ? | | |
| ৫ | আলোচনাৰ সময়ত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছেনে ? | | |
| ৬ | মূল্যায়নৰ সময়ত শিকোৱা দিশসমূহত গুৰুত্ব দিয়া হৈছেনে ? | | |

## লিখনৰ মূল্যায়নৰ বাবে ক্ৰিয়াকলাপ

১। তলত দিয়া ছবিখন চাই ছবিখনত দেখা পাঁচবিধ বস্তুৰ নাম লিখা।



২। তলৰ ছবিত থকা ফল-মূলবোৰৰ নাম লিখা




_____________ _____________ _____________ _____________

৩। তলৰ ছবিত থকা জীৱ-জন্তুবোৰৰ নাম লিখা



_____________ _____________ _____________ _____________

৪। **তলৰ ছবিকেইখন চাই খালীঠাই পূৰ কৰা।**



(ক) এইজনী এজনী ________ ।　　(খ) ________জনীয়ে________খাই আছে।



ক) এইজোপা ________ গছ ।

খ) ________জোপাত বহুত ________ লাগি আছে।

৫। **তলৰ ছবিকেইখন চাই খালীঠাই পূৰ কৰা।**

ক) আমাৰ পঢ়াশালি

খ) তোমাৰ প্ৰিয় সাহিত্যিক

গ) তোমাৰ প্ৰিয় খেল

ঘ) বাতৰি কাকত

ঙ) মোৰ পৰিয়াল

# ক্ষেত্ৰ ঃ

# শব্দসম্ভাৰ

### শব্দ কি?

অৰ্থযুক্ত বৰ্ণ বা বৰ্ণসমষ্টিক শব্দ বোলা হয়। জুই, পানী, ঘৰ, মানুহ, অৰ্থযুক্ত বৰ্ণসমষ্টি এতেকে সিহঁত শব্দ। দ, ৰ, ব অৰ্থ যুক্ত বৰ্ণ এতেকে সিহঁতো শব্দ। (অসমীয়া ভাষাৰ বহল ব্যাকৰণ, সত্যনাথ বৰা)।

### বিপৰীতাৰ্থক শব্দ কি?

পৰস্পৰ বিপৰীত অৰ্থ প্ৰকাশ কৰা শব্দকে বিপৰীতাৰ্থক বা বিপৰীত অৰ্থ বুজোৱা শব্দ বোলে। একোটা ভাষাৰ শব্দ ভাণ্ডাৰত কোনো শব্দৰ বিপৰীত অৰ্থবোধক শব্দও থাকে। অসমীয়া ভাষাৰ শব্দ-সম্ভাৰত থকা এনে বিপৰীত অৰ্থবোধক শব্দই ভাষাটোৰ বৰ্ণাঢ্য ৰূপৰ কথা আমাক জনায়।

### সমাৰ্থক শব্দ কি?

সমাৰ্থক শব্দ কোনো শব্দৰ সলনি বা বিকল্প হিচাপে ব্যৱহাৰ হোৱা বা একে অৰ্থ প্ৰকাশক শব্দ। সমাৰ্থক শব্দক প্ৰতিশব্দ বুলিও কোৱা হয়। একেটা শব্দৰে কেইবাটাও প্ৰতিশব্দ থাকিব পাৰে।

### শব্দভাণ্ডাৰ দুৰ্বল হ'লে ছাত্ৰ-ছাত্ৰীয়ে কেনে ধৰণৰ সমস্যাৰ সন্মুখীন হয় —

১। ভাব প্ৰকাশত অসুবিধা হয়।
২। বাক্য গঠন কৰিব নোৱাৰে।
৩। শুদ্ধৰূপত বিষয়বস্তু উপস্থাপন কৰাত অসুবিধা হয়।
৪। কথন কৌশলৰ বিকাশ নহয়।
৫। পাৰস্পৰিক যোগাযোগ স্থাপনত সমস্যা হয়।

### শব্দভাণ্ডাৰত দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় পদক্ষেপ হৈছে —

১। সাধু কথন/শ্ৰৱণ/পঠন
২। অভিধানৰ ব্যৱহাৰ।
৩। শব্দৰ অৰ্থ জনা, একে অৰ্থ বুজোৱা, বিপৰীত অৰ্থ বুজোৱা শব্দ শিকি প্ৰয়োগ কৰা।
৪। বাক্যত উপযুক্ত শব্দ প্ৰয়োগ কৰিব পৰা
৫। দফা, লিখন, ৰচনা লিখন আদিত উপযুক্ত শব্দ ব্যৱহাৰ কৰিব পৰা।

### ক্ৰিয়াকলাপ ১ ঃ

শিক্ষকে শিক্ষাৰ্থীসকলক বিভিন্ন দলত ভাগ কৰাই শব্দসম্ভাৰ চহকী কৰাৰ বাবে এটা ক্ৰিয়াকলাপ কৰাব। ক্ৰিয়াকলাপ কৰোঁতে এইদিশকেইটাত গুৰুত্ব দিব—

১। ৫-৬ জনীয়া দল গঠন কৰিব লাগিব।
২। শব্দৰ অৰ্থ বিচাৰোঁতে অভিধান ব্যৱহাৰ কৰিব লাগিব।
৩। দলীয় কাৰ্য।
৪। নিৰ্দিষ্ট সময়ত (নিৰ্ধাৰিত সময়) ক্ৰিয়াকলাপ শেষ কৰিব লাগিব। শব্দকেইটা পাঠ্যপুথিৰ ভিতৰৰপৰা দিব। যেনে— অংকুৰণ চতুৰ্থ ভাগৰ 'পানী' (পাঠ নম্বৰ-৫) পাঠৰ পৰা কেইটামান শব্দ দিব।

| | | | |
|---|---|---|---|
| প্ৰকাণ্ড | আকাৰ | পাত্ৰ | ইচ্ছা |
| জিৰণি | অবিৰাম | সূক্ষ্ম | সুৰংগ |
| ছিদ্ৰ | ক্ষুদ্ৰ | যন্ত্ৰ | ঠেঁটুৰৈ |

৫। ৭-৮ মিনিট সময়ৰ ভিতৰত অৰ্থসমূহ অভিধানৰ পৰা বিচাৰি লিখিবলৈ দিব।

৬। নিৰ্দিষ্ট সময়ৰ ভিতৰত শব্দৰ অৰ্থ বিচাৰি উলিয়াই লিখি জমা দিয়া দলক বিজয়ী ঘোষণা কৰিব।

**ক্ৰিয়াকলাপ শেষ হোৱাৰ পাছত শিক্ষকে অংশগ্ৰহণকাৰীক সুধিব—**

১। শব্দকেইটা তোমালোকৰ পৰিচিত নে?
২। অভিধান ব্যৱহাৰ কৰোঁতে কি নিয়ম মানি আগবাঢ়িব লাগে জানানে?
৩। অভিধান ব্যৱহাৰ কৰি শব্দ-অৰ্থ শিকিছানে?
৪। অভিধান ব্যৱহাৰ কৰি উপকৃত হৈছানে?

**ক্ৰিয়াকলাপত ব্যৱহৃত সামগ্ৰী—**

১। শব্দকাৰ্ড ২। অভিধান ৩। টাইমাৰ

## বিপৰীত অৰ্থ বুজোৱা শব্দ শিকণৰ ক্ৰিয়াকলাপ

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দিষ্ট ঠাইত আসন গ্ৰহণ কৰোৱাৰ পাছতে কিছুমান সহজতে পোৱা বস্তুৰ সহায়ত ছাত্ৰ-ছাত্ৰীক বিপৰীত শব্দৰ জ্ঞান দিব পাৰে। যেনে—

চুটি — দীঘল (লাঠিৰ ব্যৱহাৰ) ওখ — চাপৰ (দুজন ল'ৰা)
ক্ষীণ — শকত (ছবিৰ সহায়ত) ডাঙৰ — সৰু (কাগজৰ বাকচ)

এতিয়া শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক শব্দ কাৰ্ড আৰু ছবিৰ সহায়ত শব্দসমূহৰ বিপৰীত অৰ্থ বুজোৱা শব্দ চিনাকি কৰাব। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব।

- শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ২/৩ জনীয়া দলত ভগাই ল'ব।
- Flash Card ত ছবিৰ সহায়ত ৰঙীণ পেঞ্চিলেৰে শব্দ আৰু তাৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখি দুটা দলত ভাগ কৰি ছাত্ৰ-ছাত্ৰীসকলক শিকাব—

**নমুনা—**


হাঁহি


কান্দোন


জাৰ


জহ

(শিক্ষকে এনেকুৱা ছবি কাৰ্ড প্ৰস্তুত কৰি ল'ব।) শিক্ষকে পাঠ্যপুথিত থকা 'অংকুৰণ' তৃতীয় ভাগৰ ১ নম্বৰ পাঠৰ পৰা বিপৰীত অৰ্থ বুজোৱা শব্দৰে খালী ঠাই পূৰ কৰা ক্ৰিয়াকলাপটো কৰিবলৈ দিব। প্ৰতিটো দলকে তলত দিয়া ধৰণেৰে প্ৰশ্ন সুধিব—

ক) সৰু নামঘৰ ________ নামঘৰ - ইয়াত খালী ঠাইত কি হ'ব বাৰু?
খ) পকা ধান ________ ধান - ইয়াত পকাৰ বিপৰীত শব্দ কি হ'ব বাৰু? প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব।

- শিক্ষকে প্ৰতিটো দলৰ পৰা একো একোজন ছাত্ৰ-ছাত্ৰীক কি কি বিপৰীত অৰ্থ বুজোৱা শব্দ শিকিলে ক'বলৈ দিব।

## শ্ৰেণীকোঠাত শব্দসম্ভাৰ (সমাৰ্থক শব্দ)ৰ পৰিকল্পনাৰ আৰ্হি ঃ

**শব্দসম্ভাৰ (সমাৰ্থক শব্দ)ৰ ক্ৰিয়াকলাপ ঃ** শিক্ষকে পৰিকল্পনাৰ বাবে অংকুৰণ পঞ্চম ভাগৰ 'অসম আমাৰ ৰূপহী' পাঠটি (পাঠ-১) সমাৰ্থক শব্দৰ শিকাবৰ বাবে বাছি ল'ব।


**শিকন ফলাফল ঃ** ১) সমাৰ্থক শব্দ চিনাক্ত কৰিব পাৰিব

২) সমাৰ্থক শব্দ শিকি প্ৰয়োগ কৰিব পাৰিব।

শিক্ষকে কবিতাটোৰ লগত সংগতি থকা কেইটিমান সৰল প্ৰশ্নৰ অৱতাৰণা কৰিব। এই কাৰ্যই অংশগ্ৰহণকাৰীসকলৰ পূৰ্বজ্ঞান অনুমান কৰাত সহায় হ'ব। তদুপৰি শিক্ষাৰ্থী/অংশগ্ৰহণকাৰীসকলৰ জিজ্ঞাসা/কৌতূহল বৃদ্ধি পাব। শিক্ষকে তলত দিয়া প্ৰশ্ন কেইটা সুধিব—

১। পুৱা কোন দিশৰ পৰা বেলি ওলায়? ২। বেলিৰ আন এটা নাম কি বাৰু?

৩। ছবি দেখুৱাব—




বেলি শব্দটোৰ একে অৰ্থ বুজোৱা আন বহুতো শব্দ আছে। যেনে— ৰবি, ভাস্কৰ, তপন, অৰুণ ইত্যাদি। এনেধৰণৰ একে অৰ্থ বুজোৱা শব্দক সমাৰ্থক শব্দ বোলে। আজি আমি সমাৰ্থক শব্দৰ বিষয়ে আলোচনা কৰিম।

এতিয়া শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ছবিৰ সহায়ত পাঠত থকা শব্দসমূহৰ সমাৰ্থক শব্দৰ সৈতে চিনাকি কৰাই দিব।

- শিক্ষকে পাঠত থকা শব্দসমূহ ছবিৰ সহায়ত দেখুৱাব।
- শব্দবোৰ বোৰ্ডত লিখি দিব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীক ছবিৰ সহায়ত সৰু সৰু দলত ভাগ কৰিব আৰু একে অৰ্থ বুজোৱা শব্দবোৰ ক'বলৈ দিব।
- শিক্ষাৰ্থীসকলে সমাৰ্থক শব্দৰ ধাৰণা স্পষ্টকৈ বুজি পাইছে নে নাই শিক্ষকে লক্ষ্য কৰিব।
- সঠিকভাৱে প্ৰয়োগত শিক্ষকে সহায় কৰিব।

- শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক নিজাববীয়াকৈ কিছুমান সমাৰ্থক শব্দ বাছি উলিয়াবলৈ উৎসাহিত কৰিব। তেওঁলোকে কিমান বুজি পাইছে চাবৰ বাবে শিক্ষকে কিছুমান প্ৰশ্ন সুধিব।

## শব্দসম্ভাৰৰ মান নিৰূপণৰ বাবে তলত দিয়া মাপকাঠি আৰু মূল্যায়নৰ দিশসমূহ মনত ৰাখিব

| পৰ্যায়-১ | পৰ্যায়-২ | পৰ্যায়-৩ |
|---|---|---|
| সমাৰ্থক শব্দ চিনাক্ত কৰিব পাৰিব | সমাৰ্থক শব্দৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব। | সমাৰ্থক শব্দৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু প্ৰয়োজন সাপেক্ষে প্ৰয়োগ কৰিব পাৰিব। |

## মূল্যায়নৰ সবিশেষ

| মূল্যায়নৰ দিশসমূহ | নোৱাৰে | আংশিক পাৰিছে | সম্পূৰ্ণ | পাৰিছে | মন্তব্য |
|---|---|---|---|---|---|
| ছবি চাই ক'ব | | | | | |
| শব্দৰ অৰ্থ বিচাৰি ক'ব | | | | | |
| অভিধানৰ ব্যৱহাৰ কৰিব | | | | | |
| সমাৰ্থক শব্দ চিনাক্ত কৰি প্ৰয়োগ কৰিব | | | | | |
| সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব | | | | | |
| নতুন শব্দ শিকিবলৈ আগ্ৰহী হ'ব। | | | | | |

# শব্দসম্ভাৰ পৰিকল্পনাৰ সময়ত মনত ৰাখিবলগীয়া দিশসমূহ

| ক্রমিক নং | মনত ৰাখিবলগীয়া দিশসমূহ | হৈছে | হোৱা নাই |
|---|---|---|---|
| ১ | শিকন উদ্দেশ্য স্পষ্ট হৈছেনে? | | |
| ২ | সমাৰ্থক শব্দৰ (মূল বিষয় বস্তু) উপযুক্ত উপস্থাপন হৈছেনে? | | |
| ৩ | অভিৰোচনত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছেনে? | | |
| ৪ | সমাৰ্থক শব্দৰ বিষয়ে উদাহৰণসহ আলোচনা হৈছেনে? | | |
| ৫ | আলোচনাৰ সময়ত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছেনে? | | |
| ৬ | মূল্যায়নৰ সময়ত শিকোৱা দিশসমূহৰ ভিত্তিত প্ৰশ্নৰ অৱতাৰণা কৰা হৈছেনে? | | |

**মূল্যায়নৰ ক্রিয়াকলাপ ঃ**

**তলত দিয়া দফাটো পঢ়া (অংকুৰণ-চতুৰ্থ ভাগৰ দীঘল-ঠেঙীয়া পাঠৰ পৰা লোৱা হৈছে)—**

এসময়ৰ কথা। এজনী বুঢ়ী আছিল। তেওঁ এজাক গৰু পুহি কোনোমতে টুক্-টুক্, টাক্-টাক্কৈ খাই বৈ আছিল। তেওঁৰ শোৱা ঘৰটো বৰ পুৰণি। তাৰ ছালৰ খেৰবোৰ উৰলি গৈছে দেখি উৰুখি বৰষুণৰ পানী পৰে। এদিন ডাৱৰীয়া ৰাতি তেওঁ খাই-বৈ উঠি— 'এ প্ৰভু, দীঘল ঠেঙীয়াই নেপায় যেন' এই বুলি চাঙত উঠি শুবলৈ ল'লে।সেই দিনা ৰাতি এটা চোৰে বুঢ়ীৰ গৰু এটা চুৰ কৰি নিবলৈ বুলি আহি গোহালিৰ কাষতে লুকাই বহি, বুঢ়ী শোৱালৈ বাট চাই থাকিল। এটা বাঘেও গৰু খাবলৈ মন কৰি আন্ধাৰে-মুন্ধাৰে মনে মনে আহি বুঢ়ীৰ গোহালিৰ গৰুজাকৰ মাজত সোমাই বুঢ়ী শোৱালৈ বাট চাই আছিল। বুঢ়ীয়ে কোৱা সেই কথাষাৰ বাঘ আৰু চোৰ দুয়ো শুনিলে। কিন্তু দীঘলঠেঙীয়া মানে কি সিহঁতে বুজিব নোৱাৰি ভাবিবলৈ ধৰিলে, 'দীঘল-ঠেঙীয়াটো বা কি?

**উক্ত দফাটোত থকা 'বুঢ়ী'ৰ বিপৰীত অৰ্থ বুজোৱা শব্দ 'বুঢ়া'। ঠিক তেনেদৰে তলৰ শব্দকেইটাৰ বিপৰীত অৰ্থ বুজোৱা শব্দকেইটা ভাবি লিখা।**

পুৰণি — ☐ ডাৱৰীয়া — ☐

দীঘল — ☐ ৰাতি — ☐

শোৱা — ☐ সোমাই যোৱা — ☐

**তলত দিয়া দফাটো পঢ়া (অংকুৰণ-তৃতীয় ভাগৰ 'আব্দুলহঁতৰ নতুন ট্ৰেক্টৰ' পাঠৰ পৰা লোৱা হৈছে)**

আব্দুলহঁতৰ দেউতাক এজন ভাল খেতিয়ক। আদৰ্শ খেতিয়ক হিচাপে তেখেতে চৰকাৰী বঁটাও পাইছে। কালি তেখেতে এখন নতুন ট্ৰেক্টৰ কিনি আনিছে। কথাটো আব্দুলে স্কুলত লগৰীয়াবোৰক ক'লে। পিছদিনাখন ৰাতিপুৱা উজ্জ্বল আৰু সংগীতা আব্দুলহঁতৰ ঘৰ ওলালহি। তেওঁলোকে আব্দুলহঁতৰ নতুন ট্ৰেক্টৰখন চাব। আব্দুলৰ ভনীয়েক ফৰিদাই উজ্জ্বলহঁতক খেতি পথাৰলৈ লৈ গ'ল। তেতিয়া আব্দুলৰ দেউতাকে ট্ৰেক্টৰেৰে মাটি চহাই আছিল। দেউতাকৰ কাষত আব্দুল ৰংমনেৰে বহি আছিল।

**দফাটো পঢ়ি তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ লিখা—**

ভাল — [ ] নতুন — [ ]

ৰাতিপুৱা — [ ] কাষত — [ ]

## ক্ষেত্ৰ ঃ

# ব্যাকৰণ

### ব্যাকৰণ কি ?

যি পুথি পঢ়িলে ভাষা শুদ্ধৰূপে ক'বলৈ আৰু লিখিবলৈ শিকা যায় সেয়ে ব্যাকৰণ। (বহল ব্যাকৰণ, সত্যনাথ বৰা)।

ব্যাকৰণত একোটা ভাষাৰ ধ্বনি, বৰ্ণ, বৰ্ণমালা, শব্দ, পদ, বাক্য, গঠন আদি আলোচনা কৰা হয়।

### ব্যাকৰণ শিক্ষাৰ প্ৰয়োজনীয়তা—

- ভাষা শুদ্ধকৈ ক'ব আৰু লিখিব পৰা।
- ভাষাত সুদখল লাভ হয়।
- ভাষাৰ বিশুদ্ধতা ৰক্ষা হয়

### ব্যাকৰণ শিকনৰ পদ্ধতি—

১। আৰোহী পদ্ধতি　　　২। অৱৰোহী পদ্ধতি

নিম্ন শ্ৰেণীৰ ব্যাকৰণ শিক্ষাৰ ক্ষেত্ৰত আটাইতকৈ গ্ৰহণযোগ্য পদ্ধতিটো হৈছে আৰোহী পদ্ধতি। এই পদ্ধতি অনুসৰি ব্যাকৰণৰ পাঠদান কৰিলে—

- ছাত্ৰ-ছাত্ৰীয়ে উদাহৰণৰ সহায়ত ব্যাকৰণৰ বিষয়বস্তু আয়ত্ব কৰে।
- এই পদ্ধতিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োগৰ দ্বাৰা সূত্ৰ আৱিষ্কাৰ কৰিব পাৰে।
- তেওঁলোকৰ ব্যাকৰণৰ পাঠৰ প্ৰতি আগ্ৰহ জন্মে।
- ইয়াত মুখস্থ বিদ্যাৰ অৱকাশ নাথাকে।
- ভাষা ব্যৱহাৰৰ কৌশলত নিপুণতা আহে।

### পদ ঃ

অৰ্থযুক্ত বৰ্ণ বা বৰ্ণসমষ্টিক পদ বোলা হয়। (বহল ব্যাকৰণ, সত্যনাথ বৰা)

পদ হৈছে বাক্যৰ অন্তৰ্গত একো একোটা শব্দ; সেয়ে বাক্যৰ বাহিৰত থকা যিকোনো স্বতন্ত্ৰ শব্দ এটা পদ বুলি বিবেচিত নহয়।

অৰ্থাৎ 'পদ' হ'বলৈ হ'লে শব্দ এটা কথা/বাক্য এটাৰ অন্তৰ্গত হ'ব লাগিব। পদ এটাৰ নামকৰণ হ'ব বাক্যৰ কথাৰ অন্তৰ্গত অন্যান্য পদৰ লগত তাৰ সম্পৰ্কৰ ভিত্তিত।

যেনে— 'চৰাই উৰি আছে' আৰু 'উৰন্ত চৰাই' বাক্য দুটাৰ উৰ (উৰা) শব্দটো পদৰ বিবেচনাত বেলেগ বেলেগ পদ হ'ব।

বাক্যৰ ভিতৰত প্ৰকৃতিৰ লগত বিভক্তি যুক্ত হৈ শব্দ সমষ্টি নিৰ্দিষ্ট ক্ৰমত বহে আৰু সেই বিভক্তি যুক্ত শব্দসমষ্টিয়েই হৈছে একো একোটা পদ অৰ্থাৎ অভিধানত পোৱা যুক্ত/স্বতন্ত্ৰ শব্দৰ লগত বিভিক্ত যুক্ত নাথাকে; কিন্তু পদ লগত হৈছে বাক্যৰ অন্তৰ্গত বিভক্তিযুক্ত শব্দ।

### পদৰ প্ৰকাৰ ঃ

অসমীয়া ভাষাত পদ পাঁচপ্ৰকাৰৰ—

- বিশেষ্য পদ (কোনো নাম, জাতি, ঠাই আৰু কোনো বস্তুৰ নাম বুজোৱা শব্দ)
- সৰ্বনাম পদ (বিশেষ্য পদৰ সলনি ব্যৱহাৰ হোৱা পদ)
- বিশেষণ পদ (বিশেষ্য আৰু সৰ্বনাম পদৰ দোষ-গুণ বুজোৱা পদ)

- অব্যয় পদ (যি পদৰ লগত কোনো বিভক্তি যোগ নহয় অৰ্থাৎ কোনো অৱস্থাতে ৰূপৰ সলনি নহয়।)
- ক্ৰিয়া পদ (যি পদে কোনো কাম কৰা বা হোৱা বুজায়।)

## ক্ৰিয়াকলাপ (ক্ৰিয়া পদ)

**পদক্ষেপ- ১ ঃ** শিক্ষকে কেইটামান বাক্য দিব আৰু শ্ৰেণীকোঠাত উচ্চস্বৰে পঢ়ি দিব।

- মই ভাত খাওঁ।
- মইনাই ভালকৈ পঢ়ে।
- আকাশত চৰাই উৰে।
- চুমনে উত্তৰ লিখে।
- বীনা সদায় বিদ্যালয়লৈ যায়।
- তুমি ইয়াত বহা।
- নীতা বজাৰলৈ যাব।

**পদক্ষেপ- ২ ঃ** এতিয়া শিক্ষকে প্ৰশ্ন কৰিব আৰু ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ দিব——

| শিক্ষকে প্ৰশ্ন কৰিব | ছাত্ৰ-ছত্ৰীয়ে উত্তৰ দিব |
|---|---|
| ১) ওপৰৰ বাক্যকেইটাত চিন দিয়া শব্দ কেইটা কি কি কোৱাচোন | 'খাওঁ', 'যায়', 'পঢ়ে', 'বহা', 'গ'ল', 'যাব' |
| ২) মই এটা এটাকৈ শব্দ কেইটা মাতি যাম। তোমালোকে কৈ যাবাচোন এই শব্দকেইটাই 'কাম কৰা' বুজাইছে নে বস্তুৰ নাম বুজাইছে। | |

| | 'কাম কৰা' বুজাইছে | 'নাম' বুজাইছে (ব্যক্তি বস্তু স্থান) |
|---|---|---|
| খাওঁ | ✓ | |
| যায় | ✓ | |
| পঢ়ে | ✓ | |
| বহা | ✓ | |
| উৰে | ✓ | |
| গ'ল | ✓ | |
| নীতা | ✓ | ✓ |
| যাব | ✓ | |
| চুমন | ✓ | ✓ |
| লিখে | ✓ | |

## শিক্ষকে বিশেষ্য, বিশেষণ আৰু সৰ্বনাম আৰু অব্যয় পদৰ ক্ৰিয়াকলাপ প্ৰস্তুত কৰিব

### বিভক্তি ঃ

দুই বা ততোধিক শব্দ মিলিত হৈ যদি অৰ্থপ্ৰকাশ কৰে তেন্তে তাক বাক্য বোলে। কিন্তু শব্দবোৰ কেৱল মিলিত হ'লেই জানোঁ অৰ্থ প্ৰকাশ কৰিব?

অৰ্থপ্ৰকাশ কৰিবলৈ হ'লে বাক্যটোত থকা শব্দবোৰৰ মাজত পাৰম্পৰিক সম্বন্ধবোৰ প্ৰকাশ পাব লাগিব।

বাক্যৰ আদৰ্গত শব্দবোৰৰ মাজত পাৰম্পাৰিক সম্পৰ্ক প্ৰকাশ কৰিবলৈ শব্দবোৰৰ লগত (শেষত) যুক্ত হোৱা চিন বা সৰ্গবোৰক বিভক্তি বোল।
নিম্নপ্ৰাথমিক পৰ্যায়ত বিভিক্তিৰ বহল শ্ৰেণীবিভাগ আলোচনা কৰাটো অনুচৰ যুক্ত! সেয়ে অৰ্থ প্ৰকাশৰ বাবে বাক্যত থকা শব্দবোৰৰ লগত কি কি অংশ যুক্ত হয় আৰু সেইবোৰৰ প্ৰয়োগৰ সাধৰণীকৰণৰ জৰিয়তে ধাৰণাৰ বিকাশ কৰাটো অধিক যুক্তিপূৰ্ণ।

বাক্যৰ ক্ৰিয়াৰ লগত আন আন শব্দৰ পাৰম্পাৰিক সংগতি বা সম্বন্ধ ৰাখি প্ৰাতিপাদিকৰ লগত (শেষত) যিবোৰ চিন বা বৰ্ণ যোগ কৰা ('পদ' তৈৰি কৰা হয়) হয়, সেই চিনবোৰক শব্দ-বিভিক্তি বোলে।

এনেদৰে, পুৰুষ অনুযায়ী ধাতুৰ পিছত যোগ হোৱা বিভক্তিবোৰেই হ'ল ক্ৰিয়া বিভক্তি।

**পদক্ষেপ- ১ ঃ** শিক্ষকে ব্লেক ব'ৰ্ডত কেইটামান বাক্য লিখিব................ তাৰ পৰা নিৰ্দিষ্ট কেইটামান..........

১) নিতৌ ৰাতিপুৱা মাছটোক আহাৰ খুৱাই কুশলে কামলৈ যায়।
২) সি কলমেৰে লিখে।
৩) তুমি ঘৰৰ পৰা অহিলা।
৪) সীতাই কাম কৰে।
৫)তোমাৰ হাতত কি আছে?
৬) ল'ৰাজনে মাছ কিনিছে?

**পদক্ষেপ- ২ ঃ** এতিয়া শিক্ষকে উক্ত বাক্যসমূহৰ পৰা বিশেষ কেইটামান শব্দৰ তালিকা বনাব আৰু ছাত্ৰ-ছাত্ৰীক সেই শব্দবোৰৰ লগত আৰু কি যোগ হৈছে/লগ লাগিছে— উলিয়াবলৈ দিব। যেনে—

| বাক্যত ব্যৱহাৰ ৰূপ | শব্দৰ মূলৰূপ | লগলাগিছে | শেষৰ অংশ |
|---|---|---|---|
| মাছটোক | মাছ | টো-(ক) | ক |
| কলমেৰে | | | |
| ঘৰৰ | | | |
| সীতাই | | | |
| হাতত | | | |
| কামলৈ | | | |
| ল'ৰাজনে | | | |

**পদক্ষেপ- ৩ ঃ** তলৰ বাক্যবোৰ চাই চাই একেইদৰে বেলেগ শব্দৰ কাষত দিয়া বাক্যবোৰৰ পূৰ কৰোঁ আহা—

ক) ৰামে খেলিছে ।

ৰহিমে পঢ়িছে।

________ ________

| |
|---|
| ৰামে→ৰাম—এ |
| |
| |

খ) সীতাই ভাত খালে।

______ ______ ______

______ ______ ______

| |
|---|
| সীতাই→সীতা—ই |
| |
| |

গ) ৰামে মহক ভাল পায়।

হৰিয়ে মনুক মাতিছে।

______ ______ ______

______ ______ ______

| |
|---|
| মহক→মহ—ক |
| |
| |
| |

ঘ) কৰিমে চামুচেৰে ভাত খাইছে।

সীতাই কলমেৰে লিখিছে।

______ ______ ______

______ ______ ______

| |
|---|
| চামুচেৰে→চামুচ—এৰে |
| |
| |
| |

ঙ) মিনু এই পথেদি গৈছেল।

______ ______ ______

______ ______ ______

| |
|---|
| পথেদি→পথে—দি |
| |
| |

চ) মই বজাৰলৈ গৈছিলোঁ।

______ ______ ______

| |
|---|
| বজাৰলৈ →বজাৰ—লৈ |
| |

তোমালৈ ৰৈ আছোঁ।

______ ______ ______

______ ______ ______

| |
|---|
| |
| |
| |

ছ) এইটো গীতাৰ কলম।

______ ______ ______

______ ______ ______

| |
|---|
| গীতাৰ→গীতা—ৰ |
| |
| |

ঝ) সি ঘৰত নাথাকে।

______ ______ ______

______ ______ ______

| |
|---|
| ঘৰত→ঘৰ—ত |
| |
| |

## লিংগ ঃ

যি চিনৰ দ্বাৰা প্ৰাণী বা বস্তুৰ মতা, মাইকী আদি বুজিব পাৰি তাকে লিংগ বোলে। লিংগ প্ৰধানতঃ দুই প্ৰকাৰৰ— স্ত্ৰী লিংগ আৰু পুংলিংগ।

যি শব্দই পুৰুষ বুজাই তাকে পুংলিংগ আৰু যি শব্দই স্ত্ৰীক বুজাই তাকে স্ত্ৰীলিংগ বোলে।

কোনো পুৰুষ বা স্ত্ৰীক নুবুজোৱা অপ্ৰাণীবাচক শব্দবোৰক ক্লীৱলিংগ বোলে। যেনে— বহী, কিতাপ, কলম ইত্যাদি।

যিবোৰ শব্দই পুৰুষ আৰু স্ত্ৰী উভয়কে বুজাই তেনেবোৰ শব্দক উভয়লিংগ বোলে। যেনে- — মানুহ, শিশু, অভিভাৱক ইত্যাদি।

**শিক্ষকে ব'ৰ্ডত কেইটামান বাক্য লিখিব; যেনে—**

১। দেউতা আহিছে।
২। দীপা মনোজৰ ভনীয়েক।
৩। সি বায়েকৰ লগত স্কুললৈ যায়।
৪। আজি সি মোমায়েকৰ ঘৰলৈ যাব।
৫। ল'ৰাজন বজাৰলৈ গৈছিল।
৬। বুঢ়াজনে গান গাইছিল।
৭। তেওঁ নাতিনীয়েকক পঢ়াইছিল।
৮। তেওঁ এজন অভিনেতা।
৯। বাঘিনীয়ে মূৰ তুলি চলে।
১০। অনুজ এজন গায়ক।

**এই পৰ্যায়ত শিক্ষকে বুজাই দিব—**

পুৰুষ বুজোৱা শব্দক পুংলিংগ আৰু স্ত্ৰী বুজোৱা শব্দক স্ত্ৰীলিংগ বোলে।

তাৰপাছৰ পদক্ষেপত শিক্ষকে তলত দিয়া ধৰণৰ কাৰ্যকলাপ কৰাব পাৰিব—

**বিপৰীত লিংগ লিখোঁ আহা—**

১) কৰিমৰ মাকে গান গায়।
কৰিমৰ ..................গান গায়।

২) তেওঁ মোৰ পেহা।
তেওঁ মোৰ ......................।

৩) মোৰ বন্ধুৰ ঘৰ হোজাইত।
.........................................।

৪) ছোৱালীজনী বৰ ভাল।
.......................................।

৫) বুঢ়াজনে খোজকাঢ়িব নোৱাৰে।
....................................................।

৬) তেওঁ এজনী নায়িকা।
................................................।

**বচন ঃ**

বচন শব্দৰ সাধাৰণ অৰ্থ হৈছে কথা, উক্তি বা বক্তব্য। ভাষাৰ আলোচনাত বচন শব্দই পদে বুজোৱা সংখ্যা বা পৰিমাণ বুজায়। বচন দুই প্ৰকাৰ —– একবচন আৰু বহুবচন।

সি, তাই, মই, কিতাপখন, মানুহজন এইবোৰ একবচনৰ উদাহৰণ। কাৰণ, ইয়াত কেৱল এটা বস্তু বা এজন ব্যক্তিক বুজোৱা হৈছে।

সিহঁত, আমি, তেওঁলোক, কিতাপবোৰ, গৰুবোৰ এইবোৰ বহুবচনৰ উদাহৰণ। কাৰণ, ইয়াত একাধিক বস্তু, প্ৰাণী বা ব্যক্তিক বুজোৱা হৈছে।

**ক্ৰিয়াকলাপ ১ ঃ**

শিক্ষকে ব্লেক ব'ৰ্ডত কেইটামান বাক্য লিখিব; যেনে—

১) ছাত্ৰজনে পঢ়িছে।
২) গৰুবিলাক পথাৰত চৰিছে।
৩) যাত্ৰীসকল বাছত গৈছে।
৪) ছোৱালীজনীয়ে খেলি আছে।
৫) গছজোপা বাগৰি গ'ল।
৬) চৰাইজাকে উৰি আছে।
৭) ল'ৰাহঁতে খেলিছে।
৮) মাছটো ডাঙৰ আছিল।
৯) তেওঁলোক আপোনাৰ ওচৰ চুবুৰীয়া হয়নে?
১০) বাঁহডাল দীঘল।

**শ্ৰেণীকোঠাত ব্যাকৰণ (অব্যয় পদ)ৰ পৰিকল্পনাৰ আৰ্হি ঃ**

**অব্যয় পদৰ ক্ৰিয়াকলাপ ঃ** শিক্ষকে পৰিকল্পনাৰ বাবে অংকুৰণ পঞ্চম ভাগৰ 'পিঠাৰ মেল' পাঠটি (পাঠ-৪) ৰ পৰা ৩৫ পৃষ্ঠাত থকা অব্যয় পদৰ ক্ৰিয়াকলাপ কৰাব।

**শিকন ফলাফল ঃ**
১) অব্যয় পদ চিনাক্ত কৰিব পাৰিব।
২) অব্যয় পদ শিকি প্ৰয়োগ কৰিব পাৰিব।

শিক্ষকে বিষয়বস্তুৰ লগত সংগতি থকা কেইটিমান সৰল প্ৰশ্নৰ অৱতাৰণা কৰিব। এই কাৰ্যই অংশগ্ৰহণকাৰীসকলৰ পূৰ্বজ্ঞান অনুমান কৰাত সহায় হ'ব। তদুপৰি শিক্ষাৰ্থীসকলৰ জিজ্ঞাসা/কৌতূহল বৃদ্ধি পাব।

শিক্ষকে তলত দিয়া প্ৰশ্ন কেইটা সুধিব

১। ৰাম আৰু যদু দুয়ো ভাল ল'ৰা।

২। মই আজি স্কুললৈ নাযাওঁ যিহেতু মোৰ গা বেয়া।

৩। এটা আপেল নাইবা এটা অমিতাৰ ছবি অংকন কৰা।

এতিয়া শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন বাক্যত প্ৰয়োগ হোৱা অব্যয় পদ বাছি উলিয়াই লিখিবলৈ দিব। যেনে—

- শিক্ষকে পাঠত থকা কিছুমান শব্দ ছাৰ্ট পেপাৰত লিখি দিব বা শব্দবোৰ বোৰ্ডত লিখি দিব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীক ছবিৰ সহায়ত সৰু সৰু দলত ভাগ কৰিব।
- ৩৫ নং পৃষ্ঠাত থকা ক্ৰিয়াকলাপটো কৰাব।
- সঠিকভাৱে প্ৰয়োগত শিক্ষকে সহায় কৰিব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক কিছুমান বাক্য বা দফা বোৰ্ডত লিখি দিব আৰু অব্যয় পদ বাছি উলিয়াই বহীত লিখিবলৈ উৎসাহিত কৰিব। তেওঁলোকে কিমান বুজি পাইছে চাবৰ বাবে শিক্ষকে কিছুমান প্ৰশ্ন সুধিব।

শিক্ষকে বিভক্তি লিংগ, বচনৰ পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব।

## ব্যাকৰণৰ মান নিৰূপণৰ বাবে তলত দিয়া মাপকাঠি আৰু মূল্যায়নৰ দিশসমূহ মনত ৰাখিব

| পৰ্যায়-১ | পৰ্যায়-২ | পৰ্যায়-৩ |
|---|---|---|
| পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পাৰিব। | অব্যয় পদৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব। | অব্যয় পদৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব আৰু প্ৰয়োজন সাপেক্ষে প্ৰয়োগ কৰিব পাৰিব। |

## মূল্যায়নৰ সবিশেষ

| মূল্যায়নৰ দিশসমূহ | নোৱাৰে | আংশিক পাৰিছে | সম্পূৰ্ণ পাৰিছে | মন্তব্য |
|---|---|---|---|---|
| পদ চিনাক্ত কৰিব পাৰিব | | | | |
| বাক্যত প্ৰয়োগ কৰিব পাৰিব | | | | |
| ব্যাকৰণৰ নিয়ম ব্যৱহাৰ কৰিব পাৰিব | | | | |
| পাঠৰ পৰা অব্যয় পদ বাছি উলিয়াব পাৰিব | | | | |
| পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ কৰিব পাৰিব (ব্যাকৰণ) | | | | |
| সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব | | | | |

## অব্যয় পদৰ পাঠ পৰিকল্পনাৰ সময়ত মনত ৰাখিবলগীয়া দিশসমূহ

| ক্ৰমিক নং | মনত ৰাখিবলগীয়া দিশসমূহ | হৈছে | হোৱা নাই |
|---|---|---|---|
| ১ | শিকন উদ্দেশ্য স্পষ্ট হৈছেনে ? | | |
| ২ | অব্যয় পদৰ (মূল বিষয় বস্তু) উপযুক্ত উপস্থাপন হৈছেনে ? | | |
| ৩ | উপস্থাপনত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছেনে ? | | |
| ৪ | অব্যয় পদৰ বিষয়ে উদাহৰণসহ আলোচনা হৈছেনে ? | | |
| ৫ | আলোচনাৰ সময়ত ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হৈছেনে ? | | |
| ৬ | মূল্যায়নৰ সময়ত শিকোৱা দিশসমূহৰ ভিত্তিত প্ৰশ্নৰ অৱতাৰণা কৰা হৈছেনে ? | | |

